সংবাদ সেৱাৰে,দেশৰ সেৱাত ২৯ বছৰৰ এক অবিৰত যাত্ৰা...

Govt. of Assam Approved

Postal Redg. No. GH- 098/ 2015 - 17

গুৱাহাটীৰ পৰা প্ৰকাশিত নিৰ্ভীক সাপ্তাহিক

# ৰঙিলী বাৰ্ত্তা

৩০ বছৰ, ২৫সংখ্যা, ৮ আহাৰ, ৰবিবাৰ, ১৪৩১ ভাস্কৰাব্দ, পঞ্জীয়ন নং - ৫৩৮৮৩ /১৯৯৪

RNI No. 53883/94. GHY--781025. Vol. 30: Issue No.25 Date Of Publication - 23 June 2024 Rs.10.00/-

## কামাখ্যাধামত আৰম্ভ হ'ল মহা অম্বুবাচী মেলা



ৰঙিলী বাৰ্ত্তাসেৱা- শংখ, ধূপ, দীপ, নৈবেদ্য আৰু আয়তীৰ মংগল উৰুলিৰ মাজেৰে নীলাচল পাহাৰৰ কামাখ্যাধামত আৰম্ভ হ'ল মহা অম্বুবাচী মেলা। পুৱা ৮ বজাৰ পূৰ্বেই নিত্য-নৈমিত্তিক পূজা-অৰ্চনাৰ পিছতে প্ৰবৃত্তিৰ লগে লগে বন্ধ কৰি দিয়া হয় মন্দিৰৰ মূল দ্বাৰ। সভক্তিৰে দেৱীৰ শ্ৰীচৰণত সেৱা আগবঢ়াই ভক্তপ্ৰাণ ৰাইজেও দেৱীৰ গুণানুকীৰ্তনৰ মাজেৰে আৰম্ভ কৰিছে অম্বুবাচীৰব্ৰত। আধ্যাত্মিকভাৱে যথেষ্ট তাৎপৰ্য বহন কৰা অম্বুবাচীয়ে প্ৰকৃততে দেৱীশক্তিৰ ৰূপত নাৰী সমাজক প্ৰতিনিধিত্ব কৰি আহিছে। দেৱীৰ এই উৎসৱক ব্ৰত হিচাপে গ্ৰহণ কৰি অম্বুবাচীলৈ পুণ্য অৰ্জনৰ বাবে অহা ভক্ত-দৰ্শনাৰ্থীৰে এতিয়া উদুলি-মুদুলি হৈ পৰিছে নীলাচলৰ পুণ্যভূমি কামাখ্যা। মন্দিৰৰ যিফালেই চোৱা নহওক কিয়, সকলোফালেই দেৱীৰ গুণানুকীৰ্তন চলিছে। ভক্ত-দৰ্শনাৰ্থীৰ আধ্যাত্মিক প্ৰভাৱে এতিয়া দ্বিতীয় বৈকুণ্ঠপুৰীত পৰিণত কৰিলে কামাখ্যা ধামক। যদিও এই সময়ছোৱা প্ৰকৃতিৰ অশৌচ বুলি গণ্য কৰা হয় তথাপি তান্ত্ৰিক সাধনাৰ বাবে এই সময়খিনি যথেষ্ট তাৎপৰ্যপূৰ্ণ বুলি মন্তব্য কৰিছে কেইবাজনো ভক্ত-দৰ্শনাৰ্থীয়ে। দেশৰ বিভিন্ন প্ৰান্তৰ পৰা বহু সাধু-সন্ন্যাসী দৰ্শনাৰ্থী মেলালৈ আহিছে। ৰাইজৰ যাতে এই সময়ছোৱাত কোনোধৰণৰ অসুবিধা নহয় তাৰ প্ৰতিও সকলো দৃষ্টি ৰাখিছে ৰাজ্য চৰকাৰে। মেলালৈ অহা দৰ্শনাৰ্থী-ভক্তসকলে যাতে কোনোধৰণৰ অসুবিধাৰ সন্মুখীন নহয় তাৰ বাবে মহানগৰ আৰক্ষীৰ লগতে কামৰূপ মহানগৰ জিলা প্ৰশাসন, স্বাস্থ্য বিভাগৰ কৰ্মীয়ে দিন-ৰাতি একাকাৰ কৰি পেলাইছে। চাফাই কৰ্মীৰ পৰা আৰম্ভ কৰি চিকিৎসক, আৰক্ষী সকলোৱে প্ৰতি মুহূৰ্ত্ততে ভক্তসকলক সহায় কৰিবলৈ তৎপৰ হৈ পৰিছে। আশ্ৰয় শিবিৰৰ

(দহ পৃষ্ঠাত চাওক)

## এমএমচি হাস্পতালত দুবছৰৰ ভিতৰত হ'ব লিভাৰ ট্ৰেন্সপ্লাণ্টঃ মুখ্যমন্ত্ৰী

ৰঙিলী বাৰ্ত্তাসেৱা- স্বাস্থ্য আৰু পৰিয়াল কল্যাণ, চিকিৎসা শিক্ষা আৰু গৱেষণা বিভাগ নিজৰ হাতলৈ অনাৰ পাছত প্ৰথমবাৰৰ বাবে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই গুৱাহাটী চিকিৎসা মহাবিদ্যালয় হাস্পতাল (জিএমচিএইচ)ত উপস্থিত হৈ এখন পৰ্যালোচনা বৈঠকত মিলিত হয়। ইয়াৰ পাছতে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই এখন সংবাদ মেলযোগে গুৱাহাটী চিকিৎসা মহাবিদ্যালয় হাস্পতালে চিকিৎসা সেৱাৰ ক্ষেত্ৰত শেহতীয়াকৈ লাভ কৰা বিশেষ সফলতাৰ বিষয়ে উল্লেখ কৰি কয় যে প্ৰথমবাৰৰ বাবে জিএমচিএইচে এজন ব্ৰেইন ডেথ ৰোগীৰ পৰা কিডনী দুটা সংগ্ৰহ কৰি দুজন ৰোগীৰ দেহত সংৰোপণ কৰি বিৰল কৃতিত্ব অৰ্জন কৰিবলৈ সক্ষম হৈছে। গুৱাহাটীৰ পৰাগ গগৈ নামৰ ব্ৰেইন ডেথ ৰোগীজনৰ পৰিয়ালে তেওঁৰ কিডনী দুটা জিএমচিএইচ কৰ্তৃপক্ষক দান কৰে আৰু সেই কিডনী দুটাৰে উজান বজাৰৰ অমৰ বাছফৰ (৩৮) আৰু নগাঁৱৰ কামপুৰৰ পল্লৱজ্যোতি দাসৰ (২১) কিডনী ট্ৰান্সপ্লান্ট কৰোৱা হয়। বৰ্তমান দুয়োজন সুস্থ হৈ আছে। জিএমচিএইচৰ তিনি বিশেষ চিকিৎসক ডাঃ শশাংক বৰুৱা, ডাঃ পুস্কৰ বাগছী আৰু ডাঃ মঞ্জুৰী শৰ্মাৰ নেতৃত্বত এই কিডনী ট্ৰান্সপ্লান্ট সফলতাৰে সম্পন্ন হয়। মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই তিনিওগৰাকী চিকিৎসকক ধন্যবাদ জ্ঞাপন কৰি কয় যে উত্তৰ-পূব ভাৰতত এনেদৰে



কিডনী ট্ৰান্সপ্লান্ট কৰা এইটো প্ৰথম সফলতা। ইয়াৰ পূৰ্বে, জিএমচিএইচে অনুৰূপ ধৰণে দুটা প্ৰচেষ্টা চলাইছিল যদিও সফল হ'ব পৰা নাছিল। মুখ্যমন্ত্ৰী ড° হিমন্ত

( দুই পৃষ্ঠাত চাওক)

## নবনিৰ্বাচিত বিজেপি মিত্ৰজোঁটৰ ১১ সাংসদক সম্বৰ্ধনা মুখ্যমন্ত্ৰীৰ

ৰঙিলী বাৰ্ত্তাসেৱা- ৰাজ্যিক বিজেপিৰ মুখ্য কাৰ্যালয় 'অটল বিহাৰী বাজপেয়ী ভৱন'ত লোকসভা নিৰ্বাচনত জয়লাভ কৰা বিজেপি মিত্ৰজোঁটৰ ১১গৰাকী নৱনিৰ্বাচিত সাংসদক সম্বৰ্ধনা জনোৱা হয়। ৰাজ্যিক বিজেপিৰ সভাপতি ভবেশ কলিতা, সাংগঠনিক সাধাৰণ সম্পাদক ৰবীন্দ্ৰ ৰাজু, সহঃতত্ত্বাৱধায়ক পৱন শৰ্মা, কেন্দ্ৰীয় মন্ত্ৰী পৱিত্ৰ মাৰ্ঘেৰিটা, প্ৰাক্তন কেন্দ্ৰীয় মন্ত্ৰী ৰামেশ্বৰ তেলী আদিৰ উপস্থিতিত অনুষ্ঠিত গাম্ভীৰ্যপূৰ্ণ অনুষ্ঠান এটাত ডিব্ৰুগড়ৰ সাংসদ তথা কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ



সোণোৱাল, লখিমপুৰৰ সাংসদ প্ৰদান বৰুৱা, শোণিতপুৰৰ সাংসদ ৰঞ্জিত দত্ত, কাজিৰঙাৰ সাংসদ কামাখ্যাপ্ৰসাদ তাছা, শিলচৰৰ সাংসদ পৰিমল শুক্লবৈদ্য, কৰিমগঞ্জৰ সাংসদ কৃপানাথ মাল্লা, ডিফুৰ সাংসদ অমৰছিং টিছ', দৰং- ওদালগুৰিৰ সাংসদ দিলীপ শইকীয়া, গুৱাহাটীৰ সাংসদ বিজুলী কলিতা মেধি, বৰপেটাৰ সাংসদ ফণীভূষণ চৌধুৰী আৰু কোকৰাঝাৰৰ সাংসদ জয়ন্ত বসুমতাৰীক সম্বৰ্ধনা জনোৱা হয়। এই অনুষ্ঠানত কেন্দ্ৰীয় মন্ত্ৰী পবিত্ৰ মাৰ্ঘেৰিটাকো সম্বৰ্ধনা জ্ঞাপন কৰে। অনুষ্ঠানত ভাষণ দি মুখ্যমন্ত্ৰী ড° হিমন্ত

( দুই পৃষ্ঠাত চাওক)

## দেশত 'ৰাজহুৱা পৰীক্ষা (অনৈতিক উপায় প্ৰতিৰোধ) আইন-২০২৪' বলৱৎ

ৰঙিলী বাৰ্ত্তাসেৱা- সৰ্বভাৰতীয় পৰ্যায়ৰ প্ৰতিযোগিতামূলক পৰীক্ষাৰ প্ৰশ্নকাকত ফাদিল-কেলেংকাৰি সংঘটিত হোৱাৰ পাছতে তৎপৰ হৈ পৰিছে কেন্দ্ৰীয় চৰকাৰ। শিক্ষাৰ্থীৰ ভৱিষ্যতক লৈ হেতালি খেলা এনেধৰণৰ দুষ্কাৰ্যৰ পুনৰাবৃত্তি নোহোৱাৰ লক্ষ্যৰে সমগ্ৰ দেশতে ৰাজহুৱা পৰীক্ষা (অনৈতিক উপায় প্ৰতিৰোধ) আইন-২০২৪'বলৱৎ কৰা হৈছে। কেন্দ্ৰীয় কৰ্মচাৰী, ৰাজহুৱা অভিযোগ আৰু পেন্সন মন্ত্ৰালয়ে ৩৯০২০/১২/২০২৩-পিপি (বি আই) নম্বৰৰ এই সম্পৰ্কীয় অধিসূচনা জাৰি কৰে। ইয়াৰ লগে লগে ২১ জুনৰে পৰা কেন্দ্ৰীয় লোকসেৱা আয়োগ, ষ্টাফ ছিলেকচন কমিছন, ৰে'লৱে ৰিকুইটমেন্ট ব'ৰ্ড, ইনষ্টিটিউট অৱ বেংকিং পাছনেল ছিলেকচন, কেন্দ্ৰীয় চৰকাৰৰ মন্ত্ৰালয় বা বিভাগসমূহ, নেচনেল টেষ্টিং এজেঞ্চী আৰু কেন্দ্ৰীয় চৰকাৰৰ দ্বাৰা অধিসূচিত অন্যান্য কৰ্তৃপক্ষই অনুষ্ঠিত কৰা পৰীক্ষাৰ ক্ষেত্ৰত এই আইনখন কাৰ্যকৰী হ'ব। লক্ষণীয়ভাৱে 'ৰাজহুৱা পৰীক্ষা

(দহ পৃষ্ঠাত চাওক)

# দৰং মহাবিদ্যালয়ত বঁটা প্ৰদান



ৰঙিলী বাৰ্তাসেৱা- অসম সাংস্কৃতিক পৰিক্ৰমা বিভাগৰ উদ্যোগত ও শোণিতপুৰ জিলা প্ৰশাসনৰ সহযোগত দৰং মহাবিদ্যালয়ৰ প্ৰেক্ষাগৃহত এক বৰ্ণাঢ্য কাৰ্যসূচীৰে ৰাজ্যৰ কলা-সংস্কৃতি, সাহিত্য তথা সমাজ জীৱনলৈ আগবঢ়োৱা অৱদানৰ স্বীকৃতিস্বৰূপে অলপতে ঘোষণা কৰা বঁটাসমূহ সসন্মানে প্ৰাপকসকলক প্ৰদান কৰা অনুষ্ঠানত উপস্থিত থাকে অসমৰ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা। উক্ত অনুষ্ঠানৰ ভাষণ প্ৰসংগত মুখ্যমন্ত্ৰীয়ে গায়ক, গীতিকাৰ, সুৰকাৰ, বাদ্যবাদক, অভিনেতা, নৃত্যবিদ, চিত্ৰকৰ, খনিকৰ, ক্ৰীড়াবিদ, কবি, ঔপন্যাসিক, গল্পকাৰ, ভাস্কৰ, স্থপতিবিদ, গৱেষক, সংগ্ৰামী শিল্পী, সৰ্বকালৰ সৰ্বশ্ৰেষ্ঠ অসমীয়া কেইগৰাকীৰ অন্যতম কলাগুৰু বিষ্ণুপ্ৰসাদ ৰাভাৰ অৱদান চিৰযুগমীয়া-চিৰস্মৰণীয় হৈ চিৰপ্ৰবহমান ৰূপত প্ৰতিজন অসমীয়াৰ সিৰাই সিৰাই চিৰকাল বৈ থাকিব বুলি মতপোষণ কৰে।

# নবনিৰ্বাচিত বিজেপি

বিশ্ব শৰ্মাই কয় যে এইবাৰ লোকসভা নিৰ্বাচনৰ পাছত দেশৰ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী একেৰাহে তৃতীয়বাৰৰ বাবে প্ৰধানমন্ত্ৰীৰ আসনত অধিষ্ঠিত হৈছে। বিগত ৬০ বছৰত কোনো এজন প্ৰধানমন্ত্ৰীয়ে একেৰাহে তৃতীয়বাৰৰ বাবে প্ৰধানমন্ত্ৰী হ'বলৈ সক্ষম হোৱা নাছিল। ইয়াৰ বাবে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীক উষ্ম আদৰণি জ্ঞাপন কৰাৰ লগতে নৰেন্দ্ৰ মোদীৰ নেতৃত্বত বিকশিত ভাৰত, বিকশিত অসমৰ স্বপ্নই সাকাৰ ৰূপ ধাৰণ কৰিব বুলি মন্তব্য কৰে। নৰেন্দ্ৰ মোদী মন্ত্ৰীসভাত সৰ্বানন্দ সোণোৱাল আৰু পৱিত্ৰ মাৰ্ঘেৰিটাই এইবাৰ স্থান লাভ কৰিছে। ভাষণত মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই কয় যে এইবাৰ লোকসভা নিৰ্বাচনত দুই লাখ মুছলমানৰ ভোট থকা সত্ত্বেও কৰিমগঞ্জত কৃপানাথ মাল্লাৰ বিজয় উল্লেখনীয় হিচাপে চিহ্নিত হৈছে। সেইদৰে বড়ো চুক্তি স্বাক্ষৰৰ পিছৰে পৰাই কোকৰাঝাৰ লোকসভা সমষ্টিত অবড়ো জনগোষ্ঠীৰ লোক সাংসদ হিচাপে নিৰ্বাচিত হোৱাৰ এক অঘোষিত নীতি হৈছিল। কিন্তু এইবাৰ কোকৰাঝাৰত ইউপিপিএলৰ প্ৰাৰ্থী জয়ী হ'বলৈ সক্ষম হয়। এইবাৰ লোকসভা নিৰ্বাচনত কংগ্ৰেছ দল পৰাজিত হোৱাৰ পিছতো বেছিকৈ স্ফূৰ্তি কৰাৰ প্ৰসংগ উল্লেখ কৰি মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই কয় যে কংগ্ৰেছ আৰু এআইইউডিএফৰ আসন আছিল চাৰিখন। কিন্তু এইবাৰ সেই আসনৰ সংখ্যা তিনিখনলৈ হ্ৰাস পালে। অথচ তেওঁলোকে ইমান স্ফূৰ্তি কৰি আছে যেন ৩০খন আসনতহে বিজয়ী হৈছে। মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই কয় যে ১৯৭৫ চনৰ পাছত প্ৰথমবাৰৰ বাবে অসমত শাসনত থকা বিজেপি মিত্ৰজোঁটে ৰেখন আসন লাভ কৰিবলৈ সক্ষম হৈছে। প্ৰয়াত মুখ্যমন্ত্ৰী হিতেশ্বৰ শইকীয়া, তৰুণ গগৈৰ কাৰ্যকালতো শাসকীয় দলে ইমানসংখ্যক আসন লাভ কৰিবলৈ সক্ষম হোৱা নাছিল। এইবাৰৰ লোকসভা নিৰ্বাচনৰ ফলাফল বিধানসভা সমষ্টি পৰ্যায়লৈ ৰূপান্তৰিত কৰিলে দেখা যায় যে বিজেপি মিত্ৰজোট ৯৩টা সমষ্টিত বিজয়ী হৈছে। ২০১৯ চনৰ লোকসভা নিৰ্বাচনৰ ফলাফলতো বিজেপি মিত্ৰজোঁটে ৮৫ৰ সংখ্যা অতিক্ৰম কৰিব পৰা নাছিল। এইবাৰ লোকসভা নিৰ্বাচনৰ ফলাফলত ২৭টা বিধানসভা সমষ্টিত বিজেপি মিত্ৰজোঁটে ৫০ হাজাৰৰো অধিক ভোটত লীড লৈছিল। বিজেপি, অগপ আৰু ইউপিপিএলে এই নিৰ্বাচনত সৰ্বমুঠ ৯৩ লাখ ভোট লাভ কৰিছে। শতাংশ হিচাপত বিজেপি মিত্ৰজোঁটে লাভ কৰা ভোটৰ পৰিমাণ ৪৬.৫২ শতাংশ। অসমৰ ৰাজনীতিত কোনো ৰাজনৈতিক দলে ইমান ভোট কেতিয়াও লাভ কৰিবলৈ সক্ষম হোৱা নাই। অহা ২০২৬ৰ বিধানসভা নিৰ্বাচনত আমি ৫০ শতাংশৰ সীমা অতিক্ৰম কৰিম। আনহাতে, এইবাৰৰ নিৰ্বাচনী ফলাফলে ৰাজ্যখনৰ বাবে সংকট আৰু সন্দেহ ঘনীভূত কৰাৰ কথা উল্লেখ কৰি মুখ্যমন্ত্ৰী ড° শৰ্মাই কয় যে কংগ্ৰেছ দলে এইবাৰ নিৰ্বাচনত মুঠ ৮০ লাখ ভোট লাভ কৰিছে। কংগ্ৰেছ আৰু অজাপ মিলি লাভ কৰা এই ভোট শতাংশ হিচাপত হিচাপ কৰিলে ৩৯ শতাংশ হয়। কিন্তু কংগ্ৰেছে এই ৩৯ শতাংশ ভোট অসমৰ চুকে-কোণে থকা সকলোৰে পৰা লাভ কৰা নাই। লাভ কৰা ভোটৰ ৩০ লাখ ভোটেই সংখ্যালঘু অধ্যুষিত ২১টা বিধানসভা সমষ্টিৰ পৰা পাইছে। বিধানসভা সমষ্টিৰ হিশৰ পৰা চাবলৈ গ'লে কংগ্ৰেছ দলে ৩২টা বিধানসভা সমষ্টিত জয়লাভ কৰিছে। বিজেপি মিত্ৰজোঁটে ৯৩টা বিধানসভা সমষ্টিত জয়লাভ কৰিছে। অসমৰ সংখ্যালঘু অধ্যুষিত অঞ্চলৰ পৰা বিজেপি দলে ৩ শতাংশ ভোট লাভ কৰিছে। ইয়াৰ পৰা এটা কথা প্ৰমাণ হৈছে হিন্দুৱে সাম্প্ৰদায়িকতা নকৰে, এটা নিৰ্দিষ্ট ধৰ্মৰ লোকেহে সাম্প্ৰদায়িকতা কৰে।

# দৰঙত দশম আন্তঃৰাষ্ট্ৰীয় যোগ দিৱস উদযাপন



ৰঙিলী বাৰ্তাসেৱা- সমগ্ৰ দেশৰ লগতে আজি দৰং জিলাতো দশম আন্তঃৰাষ্ট্ৰীয় যোগ দিৱস উদযাপন কৰা হয়। মঙলদৈৰ সৈনিক ভৱনত দৰং জিলা প্ৰশাসন আৰু ৰাষ্ট্ৰীয় আয়ুষ অভিযান, দৰং, জিলা স্বাস্থ্য সমিতি, দৰঙৰ উদ্যোগত এই যোগ দিৱস কাৰ্যসূচী উদযাপন কৰা হয়। উক্ত অনুষ্ঠানত দৰং-ওদালগুৰি লোকসভা সমষ্টিৰ সাংসদ দিলীপ শইকীয়াই মুখ্য অতিথিৰূপে অংশগ্ৰহণ কৰে। আন্তঃৰাষ্ট্ৰীয় যোগ দিৱস উপলক্ষে প্ৰদান কৰা ভাষণত সাংসদ গৰাকীয়ে কয় যে যোগ ভাৰতীয় সভ্যতা- সংস্কৃতিৰ অমূল্য উপাদান। প্ৰাচীন কালৰে পৰা ভাৰতীয় লোকে যোগ (দহ পৃষ্ঠাত চাওক)

# দৰং জিলাৰ বানাক্ৰান্ত অঞ্চল পৰিদৰ্শন জলসম্পদ মন্ত্ৰী পীযুষ হাজৰীকাৰ



ৰঙিলী বাৰ্তাসেৱা- অসম চৰকাৰৰ জলসম্পদ, তথ্য আৰু জনসংযোগ আদি বিভাগৰ মন্ত্ৰী পীযুষ হাজৰীকাই দৰং জিলাৰ বানক্ষতিগ্ৰস্ত এলেকা পৰিদৰ্শন কৰে। জিলা তথ্য আৰু জনসংযোগ বিভাগে সংবাদ মাধ্যমলৈ প্ৰেৰণ কৰা এক প্ৰেছ বিজ্ঞপ্তি অনুসৰি মন্ত্ৰী গৰাকীয়ে আঠীয়াবাৰীত উপস্থিত হৈ শাকতোলা নদীৰ বাঢ়নী পানীয়ে ছিঙা মথাউৰি পৰিদৰ্শন কৰে। এই ছিগা অংশত ক্ষিপ্ৰ গতিৰে চলি থকা মেৰামতিৰ কাম প্ৰত্যক্ষ কৰি (দহ পৃষ্ঠাত চাওক)

# এমএমচি হাস্পতালত দুবছৰৰ

বিশ্ব শৰ্মাই কয় যে সাধাৰণতে দাতাই কিডনী দান কৰাৰ পাছত কিডনী ট্ৰান্সপ্লান্ট কৰিব পাৰি। এইক্ষেত্ৰতো দাতা পৰিয়ালৰ সম্পৰ্কীয় লোক হোৱাৰ লগতে বিভিন্ন নীতি- নিয়মৰ মাজেৰে সেই কিডনী আহৰণ কৰিব লাগে। কিন্তু যদি এজন মানুহে নিশ্চিতভাৱে মৃত্যুৰ বিষয়ে জানিব পাৰে আৰু মৃত্যুৰ আগতে কিডনী, লিভাৰ দান কৰি আন এজনক জীৱন দিয়াৰ বাবে দি থৈ যায়, তেতিয়াহ'লে বহুত লোকৰ জীৱন ৰক্ষা পৰে। বিভিন্ন দুৰ্ঘটনাত বহু লোকৰে ব্ৰেইন ডেথ হৈ যায়। ব্ৰেইন ডেথ হোৱাৰ পাছত মানুহজনৰ শৰীৰটোহে জীয়াই থাকে আৰু কিছুদিনৰ পিছতে তেওঁৰ মৃত্যু নিশ্চিত হয়। তেতিয়া ব্ৰেইন ডেথ হোৱা ৰোগীজনৰ নিকটাত্মীয়ই সেই অংগসমূহ দান কৰিব পাৰে। দাক্ষিণাত্যত লিভাৰ, কিডনী দুয়োটাই দান কৰে। অসমতো ব্ৰেইন ডেথ হোৱা ৰোগীৰ ক্ষেত্ৰত লিভাৰ, কিডনী দান কৰাৰ বাবে ৰাইজক আগবাঢ়ি আহিবলৈ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই আহ্বান জনায়। এই প্ৰসংগতে মুখ্যমন্ত্ৰীগৰাকীয়ে কয় যে দাতাৰ পৰা কিডনী সংগ্ৰহ কৰি জিএমচিএইচে বিগত ছবছৰ ধৰি কিডনী ট্ৰান্সপ্লান্ট কৰি আহিছে। এই বছৰ ৩৮টা তেনেধৰণৰ কিডনী ট্ৰান্সপ্লান্ট কৰা হৈছে। কেৱল ব্ৰেইন ডেথ ৰোগীৰ পৰা কিডনী সংগ্ৰহ কৰি কিডনী ট্ৰান্সপ্লান্টৰ ঘটনাহে প্ৰথম সম্ভৱপৰ হৈছে। সেইদৰে আইভিএফৰ জৰিয়তে সন্তান জন্ম দিয়াৰ ক্ষেত্ৰতো জিএমচিএইচে সফলতা লাভ কৰিবলৈ সক্ষম হোৱাৰ কথা উল্লেখ কৰি মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই কয় যে জিএমচিএইচৰ আইভিএফ চেণ্টাৰত এতিয়ালৈ ৩৬গৰাকী মাতৃৰ গৰ্ভত এম'ব্ৰিট সংস্থাপিত কৰিব পৰা হৈছে। ইয়াৰে আঠগৰাকী মাতৃ গৰ্ভৱতী হৈছে। এটা সন্তানো জন্ম হৈছে। সন্তান-মাতৃ উভয়ে সুস্থ হৈ আছে। জিএমচিএইচৰ এটা আইভিএফত ব্যয় হয় ৭৫ হাজাৰ টকাৰ পৰা ৰ লাখ টকা। জিএমচিএইচত আইভিএফৰ নেতৃত্ব লৈছে ডাঃ তন্ময় শইকীয়া আৰু ডাঃ অনুজ সিঙে। মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই আইভিএফৰ এই সফলতাৰ বাবে চিকিৎসক দুগৰাকীক ধন্যবাদ জ্ঞাপন কৰে। এবছৰৰ ভিতৰত আইভিএফত জিএমচিএইচ ভাল কেন্দ্ৰ হিচাপে গঢ় লৈ উঠিব বুলিও মুখ্যমন্ত্ৰীগৰাকীয়ে উল্লেখ কৰে। বন মেৰু ট্ৰান্সপ্লাণ্টৰ ক্ষেত্ৰতো জিএমচিএইচত এতিয়ালৈ ২৮টা কেচ সফলতাৰে সম্পন্ন হোৱাৰ কথা উল্লেখ কৰি মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই কয় যে জিএমচিএইচ এতিয়া ছুপাৰ স্পেচিয়েলিটী হাস্পতাললৈ ৰূপান্তৰিত হৈছে। ক'ৰ'নাৰী হাৰ্ট ছাৰ্জাৰীৰ ক্ষেত্ৰতো জিএমচিএইচে এতিয়ালৈ ৭৫টা অস্ত্ৰোপচাৰ সফলতাৰে সম্পন্ন কৰিছে। আনহাতে, এমএমচিএইচত অহা এবছৰ-দুবছৰৰ ভিতৰতে লিভাৰ ট্ৰান্সপ্লান্টৰ কামো আৰম্ভ কৰিব পৰা যাব বুলি মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই উল্লেখ কৰে। ইপিনে, ৰাজ্যখনৰ নতুন মেডিকেল কলেজ তথা আন মেডিকেল কলেজসমূহ আত্মনিৰ্ভৰ হৈ উঠাত গুৰুত্ব আৰোপ কৰিছে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই। ৰাজ্যখনৰ বিভিন্ন স্থানত জধে-মধে গঢ় লৈ উঠা নাৰ্ছিং হোমৰ প্ৰসংগত মুখ্যমন্ত্ৰীগৰাকীয়ে কয় যে প্ৰধানমন্ত্ৰী আয়ুষ্মান ভাৰত কাৰ্ড, মুখ্যমন্ত্ৰীৰ আয়ুষ্মান অসম কাৰ্ডৰ সুযোগ লৈ একাংশ নাৰ্ছিং হোমে চকুৰ কেটেৰেক্ট অপাৰেচনো কৰি আহিছে। চৰকাৰে এইক্ষেত্ৰত নিয়ন্ত্ৰণৰ ব্যৱস্থা কৰিব। চৰকাৰী চিকিৎসালয়ে জনসাধাৰণক ভালদৰে সেৱা আগবঢ়াই অহাৰ কথা উল্লেখ কৰি মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই চিকিৎসকসকলক সমালোচনাৰ পৰিৱৰ্তে ইতিবাচক দৃষ্টিভংগীৰে লোৱাৰ আহ্বান জনাই কয় যে জিএমচিএইচৰ ৫০ শতাংশ চিকিৎসকেই নাৰ্ছিং হোমলৈ নাযায়। তেওঁলোকে জনসাধাৰণকে সেৱা আগবঢ়াই আহিছে। অকল জিএমচিএইচেই প্ৰধানমন্ত্ৰীৰ আঁচনিৰ ১১৪ কোটিৰে ৫৩, ১৬১ গৰাকী ৰোগীক সুবিধা দিছে।

# প্ৰস্তাৱিত দৰং চিকিৎসা মহাবিদ্যালয় আৰু চিকিৎসালয়ৰ স্থান পৰিদৰ্শন কৰিলে মুখ্যমন্ত্ৰীয়ে



ৰঙিলী বাৰ্ত্তাসেৱা-ৰাজ্যৰ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই মঙলদৈত উপস্থিত হৈ অসম দক্ষতা বিশ্ববিদ্যালয়ৰ স্থায়ী চৌহদ আৰু মঙলদৈ বাইপাচৰ নিৰ্মাণ কাৰ্য তথা দৰং চিকিৎসা মহাবিদ্যালয় আৰু চিকিৎসালয়ৰ স্থান পৰিদৰ্শন কৰি প্ৰস্তাৱিত প্ৰকল্পটোৰ বিভিন্ন দিশৰ বুজ লয়। জিলা তথ্য আৰু জনসংযোগ বিভাগে সংবাদ মাধ্যমলৈ প্ৰেৰণ কৰা এক প্ৰেছ বিজ্ঞপ্তি অনুসৰি মুখ্যমন্ত্ৰীয়ে মঙলদৈত উপস্থিত হৈয়ে ১৫ নং ৰাষ্ট্ৰীয় ঘাইপথৰ পৰা পোন্ধৰ কিলোমিটাৰ দৈৰ্ঘ্যৰ বাইপাচৰ নিৰ্মাণস্থলী পৰিদৰ্শন কৰে। তেওঁ প্ৰকল্পটো কাম শীঘ্ৰে সম্পূৰ্ণ কৰাৰ বাবে লোকনিৰ্মাণ বিভাগৰ অভিযন্তাসকলক নিৰ্দেশ দিয়ে। উল্লেখ্য যে এই বাইপাচ সম্পূৰ্ণ হৈ উঠিলে অসম, পশ্চিমবংগ আৰু অৰুণাচল প্ৰদেশৰ মাজত যোগাযোগ ব্যৱস্থা অধিক শক্তিশালী হৈ পৰিব। এই পৰিদৰ্শনৰ সময়ত পৰিৱেশ আৰু বন আদি বিভাগৰ মন্ত্ৰী চন্দ্ৰমোহন পাটোৱাৰী, জনস্বাস্থ্য কাৰিকৰী বিভাগৰ মন্ত্ৰী জয়ন্তমল্ল বৰুৱা, সাংসদ দিলীপ শইকীয়া, বিধায়ক পৰমানন্দ ৰাজবংশী আৰু বসন্ত দাস উপস্থিত থাকে। ইয়াৰ পিছতে মুখ্যমন্ত্ৰীয়ে মঙলদৈস্থিত অসম দক্ষতা বিশ্ববিদ্যালয়ৰ স্থায়ী চৌহদ পৰিদৰ্শন কৰি নিৰ্মাণ কাৰ্যৰ অগ্ৰগতিৰ বিভিন্ন দিশৰ বুজ লয়। মুখ্যমন্ত্ৰীয়ে ২০২৫ চনৰ জুলাই মাহৰ পৰা বিশ্ববিদ্যালয়খনে যাতে স্থায়ী চৌহদৰ পৰা শৈক্ষিক কাম-কাজ আৰম্ভ কৰিব পাৰে তাৰ বাবে সংশ্লিষ্ট কৰ্তৃপক্ষক নিৰ্দেশ প্ৰদান কৰে। উল্লেখ্য যে একবিংশ শতিকাৰ শেহতীয়া শৈক্ষিক প্ৰয়োজনীয়তাৰ সৈতে খাপখুৱাই সকলো আধুনিক সুবিধাৰে ২৫০ বিঘা ভূমিত এই স্থায়ী চৌহদটো নিৰ্মাণ কৰা হৈছে। এই প্ৰকল্পটো সম্পূৰ্ণ হৈ উঠিলে বিশ্ববিদ্যালয়খনে উদ্যোগ ক্ষেত্ৰখনৰ বাবে প্ৰয়োজনীয় মানৱ সম্পদ নিৰ্মাণ কৰি এক উৎকৃষ্টতাৰ কেন্দ্ৰ হিচাপে পৰিগণিত হ'ব পাৰিব। এই পৰিদৰ্শনৰ সময়ত পৰিৱেশ আৰু বন আদি বিভাগৰ মন্ত্ৰী চন্দ্ৰমোহন পাটোৱাৰী, জনস্বাস্থ্য কাৰিকৰী বিভাগৰ মন্ত্ৰী জয়ন্ত মল্ল বৰুৱা, সাংসদ দিলীপ শইকীয়া, বিধায়ক পৰমানন্দ ৰাজবংশী আৰু বসন্ত দাস, দক্ষতা বিশ্ববিদ্যালয়ৰ (দহ পৃষ্ঠাত চাওক)

# বিশিষ্ট উদ্যোগপতি পৱন আগৰৱালালৈ 'ভাৰত গৌৰৱ' সন্মান



ৰঙিলী বাৰ্ত্তাসেৱা- বিশিষ্ট উদ্যোগপতি-ব্যৱসায়ী-সমাজকৰ্মী পৱন আগৰৱালাই লাভ কৰিছে 'ভাৰত গৌৰৱ' সন্মান। ফ্ৰান্সৰ ৰাজধানী পেৰিছত আয়োজিত এক গাম্ভীৰ্যপূৰ্ণ অনুষ্ঠানত প্ৰদান কৰা হয় এই সন্মান। ফ্ৰান্সৰ সংসদ ছিনেটত আয়োজিত হয় 'ভাৰত গৌৰৱ' বঁটা প্ৰদান অনুষ্ঠান। শিক্ষা, সংস্কৃতি, ব্যৱসায় আদি খণ্ডত উৎকৰ্ষ লাভ কৰা ৩২ গৰাকী ব্যক্তিক প্ৰদান কৰা হয় ২০২৪ চনৰ 'ভাৰত গৌৰৱ' বঁটা। ১৮খন দেশৰ কৃতী ভাৰতীয়ই লাভ কৰে এই বঁটা। প্ৰযুক্তি উদ্যমিতা, সমাজসেৱা শিতানৰ এই বঁটা লাভ কৰিছে পৱন আগৰৱালাই। বঁটা প্ৰদান অনুষ্ঠানত মুখ্য অতিথিৰূপে অংশগ্ৰহণ কৰে ফ্ৰান্সৰ মন্ত্ৰী ডি ৰেনবুলে। ভাৰতীয় মূলৰ সাংসদ প্ৰিছকা থেৰেনাট, ফ্ৰান্সস্থিত কনছুল জেনেৰেল প্ৰবীণ কুমাৰ, ফ্ৰান্সৰ ছিনেটৰদ্বয় ডমিনিক থিও'ফাইল আৰু ফেড্ৰিক বুভালে এই বঁটা প্ৰদান অনুষ্ঠানত বিশিষ্ট অতিথিৰূপে অংশগ্ৰহণ কৰে। পৱন আগৰৱালাৰ লগতে 'ভাৰত গৌৰৱ' বঁটা লাভ কৰে আধ্যাত্মিক গুৰু, পদ্মভূষণ কমলেশ পেটেল, চিত্ৰ নিৰ্মাতা অনু কাপুৰ, পদ্মশ্ৰী ড° সুধীৰ শ্বাহ, ৰাম মন্দিৰৰ ৰামৰ মূৰ্তি নিৰ্মাতা অৰুণ যোগীৰাজ, এবিপি নিউজৰ কাৰ্যবাহী সম্পাদক ইন্দ্ৰজিৎ ৰায়, সংস্কাৰ টিভিৰ মুখ্য কাৰ্যবাহী বিষয়া মনোজ ত্যাগী আদিয়ে। পৱন আগৰৱালা গুৱাহাটীস্থ ডাটামেচন প্ৰতিষ্ঠানৰ স্বত্বাধিকাৰী। ভাৰতীয়ৰ বাবে 'ভাৰত গৌৰৱ' হৈছে সৰ্বোচ্চ আন্তৰ্জাতিক বঁটা।

# নীটৰ অনিয়মত বিজেপি জড়িত থকাৰ অভিযোগত দেশজোৰা প্ৰতিবাদ



ৰঙিলী বাৰ্ত্তাসেৱা- মেডিকেল নামভৰ্তিৰ পৰীক্ষাত সংঘটিত কেলেংকাৰিৰ বিৰুদ্ধে আম আদমী পাৰ্টিয়ে সমগ্ৰ দেশতে প্ৰতিবাদী কাৰ্যসূচী ৰূপায়ন কৰে। গুৱাহাটী মহানগৰীৰ গণেশগুৰিস্থিত আপ অসমৰ কাৰ্যালয়ৰ সন্মুখতো বহুসংখ্যক আপৰ নেতা কৰ্মীয়ে বিক্ষোভ প্ৰদৰ্শন কৰে। এই বৃহৎ কেলেংকাৰিত হাৰিয়ানাৰ এগৰাকী বিজেপি নেতাৰ নাম জড়িত হৈ পৰিছে। বিজেপি নেতাৰ পত্নীৰ মালিকানাধীন বিদ্যালয়ত থকা পৰীক্ষা কেন্দ্ৰত সংঘটিত হৈছিল অনিয়ম। শীৰ্ষস্থান প্ৰাপ্ত ৬ পৰীক্ষাৰ্থীৰ সৈতে বিজেপি নেতাৰ সম্পৰ্ক থকাৰ অভিযোগ উত্থাপন কৰিছে আপে। গুৱাহাটীত আপৰ প্ৰতিবাদী কাৰ্যসূচীত দলৰ ৰাজ্যিক সভাপতি ডাঃ ভবেন চৌধুৰীয়ে এই বৃহৎ অনিয়মৰ শীঘ্ৰে তদন্ত কৰি দোষীক কঠোৰ শাস্তি প্ৰদান কৰিবলৈ দাবী জনায়। উচ্চ শিক্ষাৰ বাবে নিজকে প্ৰস্তুত কৰিবলৈ যৎপৰোনাস্তি চেষ্টা কৰা মেধাৱী ছাত্ৰ ছাত্ৰী সকলৰ যাতে শৈক্ষিক জীৱন বিনষ্ট নহয় সেই ক্ষেত্ৰত চৰকাৰক উচিত পদক্ষেপ লবলৈ চৌধুৰীয়ে আহ্বান জনায়। প্ৰতিবাদী কাৰ্যসূচীত আপৰ বহুকেইগৰাকী ৰাজ্যিক নেতাৰ উপৰি গুৱাহাটী মহানগৰ কমিটিৰ নেতৃবৃন্দয়ো অংশগ্ৰহণ কৰে।

# গুৱাহাটীত আপৰ কেন্দ্ৰীয় নেতা তথা দিল্লী চৰকাৰৰ মন্ত্ৰী গোপাল ৰায়




ৰঙিলী বাৰ্ত্তাসেৱা- "অসমত প্ৰচুৰ প্ৰাকৃতিক সম্পদ আছে। সম্পদত চহকী হোৱা সত্বেও ৰাজ্যখনত যুৱক সকলে কৰ্মসংস্থান লাভ কৰা নাই। নিবনুৱা সমস্যাই ভয়াবহ ৰূপ ধাৰণ কৰিছে। আমাৰ দেশৰ স্বাধীনতাৰ ৭৫ বছৰ পাছত দেশত ভয়াবহ ভাৱে কৰ্মসংস্থাপনহীনতাই দেখা দিছে। ডাবল ইঞ্জিনৰ চৰকাৰে সমস্যা সমাধান কৰিব পৰা নাই। এখন ডাবল ইঞ্জিনৰ ৰেলগাড়ীৰ দৰে স্থবিৰ হৈ পৰিছে বৰ্তমানৰ কেন্দ্ৰীয় চৰকাৰ। ফলত দেশত সমস্যা বৃদ্ধি পাইছে। সমাধানৰ পথ তেওঁলোকে উলিয়াব পৰা নাই। দেশৰ যুৱসমাজৰ মাজত আজি কৰ্ম সংস্থাপনহীনতা বৃদ্ধি পাইছে। যুৱ প্ৰজন্মৰ স্বাৰ্থত নতুন নিয়োগ নীতিৰ প্ৰয়োজন। অসমৰ যুৱ- ছাত্ৰ সমাজে আগন্তুক দিনত পৰিবৰ্তনৰ হকে গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিব লাগিব।" গুৱাহাটীৰ মাছখোৱাস্থিত আ টি এ চেন্টাৰত আম আদমী পাৰ্টিৰ ছাত্ৰ সংগঠন ছাত্ৰ যুৱ সংগ্ৰাম সমিতিৰ উদ্যোগত অনুষ্ঠিত ৰোজগাৰ সমাৰোহত অংশগ্ৰহণ কৰি এনেদৰে কয় আপৰ জ্যেষ্ঠ নেতা তথা দিল্লী চৰকাৰৰ মন্ত্ৰী গোপাল ৰায়ে। তেওঁ কয়, বিগত লোকসভা নিৰ্বাচনত দেশবাসীয়ে বৰ্তমান চৰকাৰক নিৰংকুশ সংখ্যাগৰিষ্ঠতা দিয়া নাই। জনসাধাৰণে স্বৈৰাচাৰী শাসকৰ বিৰুদ্ধে এই ৰায় দিছে। এয়া অনাগত দিনৰ বাবে সকীয়ণি। তেওঁলোকক ৰাইজে গাদীচ্যুত কৰিব। মন্ত্ৰীগৰাকীয়ে কয়, নৰেন্দ্ৰ মোদী নেতৃত্বাধীন কেন্দ্ৰীয় চৰকাৰে নীট পৰীক্ষা অনুষ্ঠিত কৰাৰ ক্ষেত্ৰতো ব্যৰ্থ হৈছে। প্ৰতিটো পৰীক্ষাতে প্ৰশ্ন কাকত ফাদিল হৈছে। উচ্চ শিক্ষা গ্ৰহণ কৰা যুৱক যুৱতী সকলক নিযুক্তি প্ৰদানৰ ক্ষেত্ৰতো বৰ্তমান চৰকাৰৰ ব্যৰ্থতাৰ বিৰুদ্ধে সৰৱ হয় দিল্লী চৰকাৰৰ মন্ত্ৰী গৰাকী। ৰোজগাৰ সংসদত আপৰ উত্তৰ পূৰ্বাঞ্চলৰ তত্বাৱধায়ক ৰাজেশ শৰ্মা, ৰাজ্যিক সভাপতি ডাঃ ভবেন চৌধুৰী, ছাত্ৰ যুৱ সংগ্ৰাম সমিতিৰ ৰাষ্ট্ৰীয় সভাপতি অনুৰাগ নিগম, ৰাজ্যিক সভাপতি দিব্যজ্যোতি কুলী তথা দলৰ অন্যান্য নেতৃবৃন্দ উপস্থিত থাকে।

# বিধানসভা নিৰ্বাচনৰ বাবে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাক ঝাৰখণ্ডৰ সহ-প্ৰভাৰী নিযুক্তি



ৰঙিলী বাৰ্ত্তাসেৱা- লোকসভা নিৰ্বাচনৰ পিচতেই দেশৰ তিনিখন ৰাজ্য আৰু এখন কেন্দ্ৰীয় শাসিত অঞ্চলত অনুষ্ঠিত হ'বলৈ গৈ আছে বিধানসভা নিৰ্বাচন । এই নিৰ্বাচনক লৈ ইতিমধ্যে ৰাজ্যকেইখনত প্ৰস্তুতি আৰম্ভ হৈছে । মহাৰাষ্ট্ৰ, হাৰিয়ানা, ঝাৰখণ্ড আৰু জম্মু-কাশ্মীৰত বিধানসভা নিৰ্বাচন অনুষ্ঠিত কৰিবলৈ সাজু হৈছে নিৰ্বাচন আয়োগ। এই নিৰ্বাচনক লৈ ইতিমধ্যে কুচকাৱাজ আৰম্ভ কৰিছে বিজেপি দলে। আগন্তুক বিধানসভা নিৰ্বাচন অনুষ্ঠিত হ'বলগা চাৰিখন ৰাজ্যত নিৰ্বাচনৰ বাবে দলীয় প্ৰভাৰী আৰু সহ প্ৰভাৰী নিযুক্তি দিছে। দলটোৰ ৰাষ্ট্ৰীয় সভাপতি জে পি নাড্ডাই নিৰ্বাচনী প্ৰভাৰী আৰু সহ-প্ৰভাৰী নিযুক্তি দিছে। বিজেপিৰ কেবাজনো শীৰ্ষ নেতাক এই ৰাজ্যকেইখনত দলীয় নিৰ্বাচনী দায়িত্ব অৰ্পণ কৰিছে বিজেপিয়ে। য'ত কেবাজনো কেন্দ্ৰীয় মন্ত্ৰীও অন্তৰ্ভুক্ত আছে। প্ৰভাৰী আৰু সহ-প্ৰভাৰীৰ এই তালিকাত স্থান লাভ কৰিছে অসমৰ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই। চলিত বৰ্ষৰ শেষৰ ফালে অনুষ্ঠিত হ'বলগীয়া ঝাৰখণ্ড বিধানসভা নিৰ্বাচনৰ বাবে কেন্দ্ৰীয় মন্ত্ৰী শিৱৰাজ সিং চৌহানক ঝাৰখণ্ডৰ নিৰ্বাচনী প্ৰভাৰী হিচাপে নিযুক্তি দিয়া হৈছে। আনহাতে অসমৰ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাক ৰাজ্যখনৰ বিধান সভা নিৰ্বাচনৰ সহ-প্ৰভাৰী নিযুক্তি দিয়া হৈছে। ঝাৰখণ্ডৰ উপৰিও মহাৰাষ্ট্ৰ, হাৰিয়ানা আৰু জম্মু-কাশ্মীৰৰ বাবেও ৰাজ্যিক নিৰ্বাচনী প্ৰভাৰী আৰু সহ-প্ৰভাৰী নিযুক্তি দিছে বিজেপি দলে। কেন্দ্ৰীয় মন্ত্ৰী ভুপেন্দ্ৰ যাদৱক মহাৰাষ্ট্ৰৰ নিৰ্বাচনী প্ৰভাৰী হিচাপে নিযুক্তি দিয়াৰ বিপৰীতে কেন্দ্ৰীয় মন্ত্ৰী অশ্বিনী বৈষ্ণৱক সহযোগীৰ দায়িত্ব প্ৰদান কৰা হৈছে। কেন্দ্ৰীয় মন্ত্ৰী ধৰ্মেন্দ্ৰ প্ৰধানক হাৰিয়ানাৰ নিৰ্বাচনী প্ৰভাৰী হিচাপে নিযুক্তি দিয়াৰ বিপৰীতে সাংসদ তথা প্ৰাক্তন মুখ্যমন্ত্ৰী বিপ্লৱ কুমাৰ দেৱক সহযোগীৰ দায়িত্ব দিয়া হৈছে। কেন্দ্ৰীয় মন্ত্ৰী জি কিষাণ ৰেড্ডীক জম্মু-কাশ্মীৰৰ নিৰ্বাচনী প্ৰভাৰী হিচাপে নিযুক্তি দিয়া হৈছে।

# ডিব্ৰুগড়ত চিকল চেল এনিমিয়া নিৰ্মুল অভিযানৰ আৰম্ভণি

ৰঙিলী বাৰ্ত্তাসেৱা- চিকল চেল এনিমিয়া সম্পৰ্কে সৰ্বব্যাপী সজাগতা সৃষ্টিৰ উদ্দেশ্যেৰে দেশ তথা ৰাজ্যৰ স্বাস্থ্য বিভাগে বিভিন্ন পদক্ষেপ গ্ৰহণ কৰিছে। তাৰেই পৰিপ্ৰেক্ষিতত সমগ্ৰ ৰাজ্যৰ লগতে ডিব্ৰুগড় জিলাতো ১৯ জুনৰ পৰা ৩ জুলাইলৈকে "চিকল চেল এনিমিয়া নিৰ্মুল সজাগতা অভিযান" আৰু স্ক্ৰীনিং কেম্প অনুষ্ঠিত কৰা হৈছে। ১৯ তাৰিখে খোৱাং স্বাস্থ্য কেন্দ্ৰৰ অধীনৰ চহৰীকটাত জিলা পৰ্যায়ৰ এক শুভাৰম্ভণি অনুষ্ঠান অনুষ্ঠিত কৰি এই চিকল চেল এনিমিয়া সন্দৰ্ভত এক জন সজাগতা সভা অনুষ্ঠিত কৰা হয়। তদুপৰি এক মেগা চিকল চেল এনিমিয়া নিৰ্মুলকৰণ শিবিৰো অনুষ্ঠিত কৰা হয় । চহৰীকটাৰ গাওঁ প্ৰধানে উদ্বোধন কৰা এই অনুষ্ঠানত জিলা ন'ডেল বিষয়া ডাঃ ডিম্পী বৰঠাকুৰ, জিলা গনমাধ্যম বিশেষজ্ঞ , ব্লকৰ চিকিৎসক-স্বাস্থ্য কৰ্মী, ছাত্ৰ-ছাত্ৰী



আৰু স্থানীয় ৰাইজ উপস্থিত থাকে। এই শিবিৰত অতি কমেও ২০০ জন লোকৰ স্ক্ৰীনিং সম্পন্ন কৰাৰ লক্ষ্য স্থিৰ কৰিছে স্বাস্থ্য বিভাগে। আনহাতে জিলা খনৰ টেঙাখাত স্বাস্থ্য কেন্দ্ৰৰ অধীনৰ ২ নং ঢেকিয়াজান, কঠালগুৰি আৰু নাহৰনিৰ নাম ফাকিয়াল আয়ুষ্মান আৰোগ্য মন্দিৰতো চিকল চেল এনিমিয়া স্ক্ৰীনিং কেম্প অনুষ্ঠিত কৰা হয় । একেদৰে জিলা খনৰ সমুহ চৰকাৰী চিকিৎসালয়, উপস্বাস্থ্য কেন্দ্ৰ, গ্ৰাম্য স্বাস্থ্য আৰু পৰিপুষ্টি দিৱস, মোবাইল মেডিকেল ইউনিটত এই চিকল চেল এনিমিয়া সম্পৰ্কে বিস্তাৰিতভাৱে ৰাইজক সজাগ কৰা হয়। চিকল চেল এনিমিয়া এটি জিনগত ত্ৰুটি। যেতিয়া কোনো ব্যক্তিৰ উভয় পিতৃ-মাতৃ এই জিনৰ উত্তৰাধিকাৰী হয়, তেনে ক্ষেত্ৰত সেই ব্যক্তিজনৰ চিকেল চেল এনিমিয়াত ভোগাৰ সম্ভাৱনা গাঢ় হৈ পৰে। সেয়েহে এই এনিমিয়া চিনাক্তকৰণ আৰু ইয়াৰ সম্পৰ্কে সবিশেষ জনাতো অতিকে প্ৰয়োজনীয়। উল্লেখযোগ্য যে, এই কাৰ্যসূচী অহা ৩ জুলাই লৈকে ডিব্ৰুগড় জিলাত অব্যাহত থাকিব।

# পশ্চিমবংগত ভয়ংকৰ ৰে'ল দুৰ্ঘটনা



ৰঙিলী বাৰ্ত্তাসেৱা- পশ্চিমবংগত সংঘটিত হৈছে এক ভয়ংকৰ ৰে'ল দুৰ্ঘটনা। কাঞ্চনজংঘা এক্সপ্ৰেছত খুন্দা মালবাহী ৰে'লৰ। ১৩১৭৪ নম্বৰৰ কাঞ্চনজংঘা এক্সপ্ৰেছত পিছৰ পৰা খুন্দিয়ালে এখন মালবাহী ৰে'লে। দুৰ্ঘটনাটোত কাঞ্চনজংঘা এক্সপ্ৰেছৰ দুটা ডবা লাইনচ্যুত হয়। কাঞ্চনজংঘা এক্সপ্ৰেছৰ ওপৰত উঠি যায় মালবাহী ৰে'লৰ কেইবাটাও ডবা। উত্তৰ বংগৰ নিউ জলপাইগুৰি ষ্টেচন পাৰ হৈ ৰঙাপানী ৰে'ল ষ্টেচনৰ সমীপতে সংঘটিত হৈছে এই দুৰ্ঘটনা। একেটা (দহ পৃষ্ঠাত চাওক)

# জু-ৰোডৰ উৰণসেঁতুত তীব্ৰবেগী বাহনে মহটিয়া নিলে স্কুটাৰ আৰোহীক



ৰঙিলী বাৰ্ত্তাসেৱা- পুনৰ মহানগৰীত সংঘটিত হৈছে ভয়ংকৰ পথ দুৰ্ঘটনা। গুৱাহাটীৰ জু-ৰোডৰ শ্ৰদ্ধাঞ্জলি উৰণসেঁতুত সংঘটিত হৈছে এই দুৰ্ঘটনা। জু-ৰোডৰ উৰণ সেতুত অচিনাক্ত বাহনে মহটিয়াই নিলে স্কুটাৰসহ আৰোহীক। অচিনাক্ত তীব্ৰবেগী বাহনে বাইক আৰোহীজনক মহটিয়াই নি ঘটনাস্থলীৰ পৰা পলায়ন কৰে। বাইকখনত চালকজনৰ সৈতে আছিল এজন আৰোহী। সংকটজনক অৱস্থাত দুয়োজন আৰোহীকেই গুৱাহাটী চিকিৎসা মহাবিদ্যালয় হাস্পতালত ভৰ্তি কৰা হৈছে। এম্বুলেন্সক খবৰ দিয়া হৈছিল যদিও বহু সময়লৈ উপস্থিত নোহোৱাত প্ৰত্যক্ষদৰ্শীয়ে নিজৰ বাহনেৰে আহত ২জনক GMCHলৈ লৈ যায় ।

# ৱাইনাড লোকসভা সমষ্টি এৰিব কংগ্ৰেছ নেতা ৰাহুল গান্ধীয়ে



ৰঙিলী বাৰ্ত্তাসেৱা- অৱশেষত সিদ্ধান্ত ল'লে ৰাহুল গান্ধীয়ে। কেৰালাৰ ৱাইনাড লোকসভা সমষ্টি এৰিব কংগ্ৰেছ নেতা ৰাহুল গান্ধীয়ে। সংসদৰ নিম্ন সদনত উত্তৰ প্ৰদেশৰ ৰায়বেৰেলীক প্ৰতিনিধিত্ব কৰিব। ইয়াৰ পাছতেই লোকসভা সমষ্টিটোত অনুষ্ঠিত হ'ব উপ নিৰ্বাচন। খালী হোৱা ৱায়ানাড লোকসভা আসনৰ পৰা উপ-নিৰ্বাচনত অৱতীৰ্ণ হ'ব প্ৰিয়ংকা গান্ধী। মল্লিকাৰ্জুন খৰ্গেই এই তথ্য সদৰি কৰে। সোমবাৰে কংগ্ৰেছৰ শীৰ্ষ নেতৃত্বই দলটোৰ মুৰব্বী মল্লিকাৰ্জুন খৰ্গেৰ বাসগৃহত আলোচনাত মিলিত হোৱাৰ পিচতে এই সিদ্ধান্ত গ্ৰহণ কৰে।কংগ্ৰেছ সভাপতিগৰাকীয়ে কয়, "ৰাহুল গান্ধীয়ে দুটা লোকসভা সমষ্টিত জয়লাভ কৰিছিল, কিন্তু নিয়ম অনুসৰি তেওঁ এটা সমষ্টি এৰি দিব লাগিব। ৰাহুল গান্ধীয়ে ৰায়বৰেলী আসনখন নিজৰ হাতত ৰাখিব আৰু আমি সিদ্ধান্ত লৈছো যে প্ৰিয়ংকা গান্ধীয়ে ৱাইনাডৰ পৰা নিৰ্বাচনত অৱতীৰ্ণ হ'ব।" (দহ পৃষ্ঠাত চাওক)

# অনুৰাগ তোমাৰ বাবে

**ববিতা বৰঠাকুৰ, কুৰাল গুৰি**



বজাৰত বস্তুৰ দাম বাঢ়িছে, আজি গেছ চিলিণ্ডাৰ এটাৰ দাম গাড়ী এখনৰ সমান হ'ল, শাক-পাচলি, ঔষধৰ দাম প্ৰতি ঘন্টাত বৃদ্ধি পাইছে । সন্তানৰ পঢ়া খৰছ, দৈনিক খোৱা-বোৱা, সামাজিক, ধৰ্মীয় অনুষ্ঠানলৈ দান বৰঙণি, বিয়া, অন্নপ্ৰাশন, জন্ম দিন বুলিলেই কমকৈ হ'লেও হাজাৰ বাৰশ টকা লাগে ।টনা- টনিকৈ কিমান চলিবা আৰু, এনেবোৰ কথাৰ বাবে মধ্যবিত্ত পৰিয়ালত স্বামী স্ত্ৰীৰ মাজত আঁৰিয়া-আঁৰি, কাৰো কথা কোনেও নুশুনে, ক'ৰোনা মহামাৰীয়ে বহু সংসাৰলৈ অমানিশা কঢ়িয়াই আনিছে। আগতে মধ্যবিত্ত শ্ৰেণীবোৰ 'ল'ক ডাউনৰ' কেঁকুৰা-চেপাট অনুত্তীৰ্ণ হৈ নিম্ন শ্ৰেণী হ'ল। হ'ল বুলিও আৰু কিমান টানিব মানুহ গৰাকীয়ে, কিছুমান খৰছ কমাইছে, কিছুমান কমাব নোৱাৰি, আজিকালি একেযোৰ কাপোৰে দুখন বিয়া খাব নোৱাৰি, ধনী ঘৰৰ ম'বাইল, কেমেৰাবোৰে আমাৰ দৰে মানুহক বিৰক্তি দিয়ে, সৰু টোপোলা এটালৈ বিয়ালৈ যাব নোৱাৰি, উপহাৰ ডাঙৰ আৰু দামী হ'ব লাগিব, কেনেবাকৈ কেমেৰাই ধৰা পেলাববলৈ হ'লে মান সন্মান সকলো শেষ । এইবোৰ কথা মানুহ জনক ক'লেই ঘৰ খন কুৰুক্ষেত্ৰ হয় । বহু নাৰীৰ মনত ভিন্ন কাৰণত পোক এটা সোমাই থাকে যে পুৰুষ সকল অত্যাচাৰী, নাৰীৰ দুখ নুবুজে, স্বাৰ্থপৰ, আক্ৰমণকাৰী ইত্যাদি । কিন্তু পুৰুষৰ কোমল মনটো স্পৰ্শ কৰিববলৈ নাৰীয়ে বিচাৰিলেই সংসাৰ সুখৰ হ'ব । বহু সময়ত আমাৰ আইন ব্যৱস্থাই স্বামী-স্ত্ৰী দ্বন্দ বৃদ্ধিহে কৰে ।স্বামীয়ে পৰ্যাপ্ত ধন উপাৰ্জন কৰিব নোৱাৰিলে সততে পত্নীৰ ককৰ্থনা, তুচ্ছ-তাচ্ছিল্যৰ সন্মুখীন হ'ব লগা হয়, কিন্তু স্বামীয়ে পত্নীক চাকৰি বিচাৰিববলৈ ক'লে সেয়া হ'ব মানসিক নিৰ্যাতন। পত্নীৰ নিজ আৰ্জিত বা পিতৃপ্ৰদত্ত সম্পত্তিৰ ওপৰত স্বামীৰ কোনো আইনগত অধিকাৰ নাথকে। কিন্তু স্বামীৰ সকলো সম্পত্তিৰ ওপৰত পত্নীয়ে সম অধিকাৰ ভোগ কৰে। যি কোনো কাৰণতে বিবাহ বিচ্ছেদ হ'লে পত্নীয়ে স্বামীৰ পৰা যথেষ্ট পৰিমাণৰ ক্ষতি পূৰণ দাবী কৰে কিন্তু পত্নী ক্ষেত্ৰত এনে ব্যৱস্থা নাই ।আমাৰ দেশত এতিয়াও যৌতুক দিয়াৰ বাবে শাস্তি দিয়াৰ উদাহৰণ দেখা নাযায়।

হয়, আমাৰ চাৰিওফালৰ পৃথিৱী খনত পুৰুষতান্ত্ৰিক সমাজৰ প্ৰভাৱ দেখা যায়, ধৰ্ষণ, শোষণ, অত্যাচাৰৰ ঘটনাই আমাক কুণ্ডুলি পকাই ধৰে। তথাপি আমি আমাৰ আপোন পুৰুষ জনক ওচৰৰ পৰা জুমি চালে দেখিম, তেওঁৰ অন্তৰতো মৰম - স্নেহ, দয়া আছে, ফুল - কবিতা, সংগীত ভালপোৱা এজন আৱেগ সুন্দৰ পুৰুষ। আমাৰ আপোন পুৰুষ জন দূৰদৰ্শী, কল্পনা প্ৰৱন, ধেমেলীয়া, বন্ধুৰ দৰে তেওঁ বন্ধা - বঢ়া কৰে, বাচন ধোৱাৰ পৰা সন্তানৰ খোৱা- লোৱা চম্ভালি ঘৰখন পৰিপাটিকৈ ৰখাত সহায় কৰে । তাৰ অন্ততঃ তেওঁ হয়তো বিচাৰে, তেওঁক অকণমান অনুৰাগ, ভালপোৱা, বুজা - বুজি, সামান্য স্বীকৃতি আৰু আশ্বাস বিশ্বাসৰে ভৰা আইৰ দৰে এখন কোলা, জিৰণি ল'ব পৰাকৈ অকণমান নিৰাপত্তা ।কম খৰছতে মিতব্যয়ী ভাৱে ঘৰখন চলাব পৰা এগৰাকী গৃহিনী, গোপনে চকুপানী মুচি দিব পৰা এগৰাকী প্ৰণয় প্ৰাৰ্থী। কৰুণাময় এহাল চকু, তেওঁ যেন ক'ব, "তুমি যিখিনি কৰিছা, বহুত কৰিছা, তোমাৰ সান্নিধ্য মোৰ বাবে শ্ৰেষ্ঠ উপহাৰ"। অভিযোগ বিহীন ভাৱে আগবঢ়োৱা আন্তৰিকতাপূৰ্ণ পৰামৰ্শ আৰু সময়ক মধুময় কৰা প্ৰেমৰ কেইটামান শুভ মুহূৰ্ত। সমাজক সাক্ষী কৰি বিবাহৰ দ্বাৰা সুখী গৃহস্থী জীৱন আৰম্ভ কৰোঁতে স্বামীয়ে মূল ভাৰ গ্ৰহণ কৰে । যি দৰে নাৰী গৰাকীয়ে পিতৃ গৃহ ত্যাগ কৰে, সেইদৰে স্বামী জনে অনিবাৰ্য দুৰ্দশাকো জয় কৰি, দুখ আৰু হতাশাবোৰক সুখ আৰু আশালৈ ৰূপান্তৰিত কৰি পত্নীক নিৰাপত্তা দিয়াৰ সংকল্প লয়। অন্ন, বস্ত্ৰ, বাসস্থানৰ সুবিধা দিয়াৰ। জীৱনৰ সহজ আৰু জটিল মুহুৰ্তত সংগী হোৱাৰ সদ্ভনাৰে আৰম্ভ হয় দাম্পত্য জীৱনৰ প্ৰথম খোজ। স্বামীৰ আদৰ-যত্নতে পোখা মেলে পত্নীৰ প্ৰচুৰ সম্ভৱনা প্ৰতিভা বিকাশৰ সেউজীয়া পথ।

সমাজত নাৰী ধৰ্ষিত হৈছে, পুৰুষৰ শোষণ আৰু শাসনত জীৱন ত্যাগ কৰিববলৈ বাধ্য হৈছে তথাপি এনে বহু পুৰুষ আছে যি জনে হাজাৰ শ্ৰম আৰু ত্যাগৰ বিনিময়ত পূৰ্ণ কৰিছে, নাৰীৰ আশা আকাংক্ষা। আৱলা দুৰ্বলা নাৰীক আত্মপ্ৰত্যয় ঘুৰাই আনি সঠিক পথৰ সন্ধান দিছে হাজাৰ জন স্বামীয়ে। মানসিক সমৰ্থন, শাৰীৰিক যত্ন লোৱা বহুজন স্বামী আমাৰ মাজতে আছে। পত্নীৰ অসুস্থ অৱস্থাত দৈনিক কৰ্ম কৰাৰ উপৰিও পাক ঘৰৰ পৰা সন্তান প্ৰতিপালনতে সীমাবদ্ধ নাথাকি অসুস্থ অৱস্থাত ঔষধৰ যতন ধৰাকে নহয়, নখ কটি দিয়াৰ পৰা বিষ্ঠা পৰিষ্কাৰ কৰা দায়িত্বশীল স্বামী আমি মন কৰিলেই দেখিম। দুই এজন স্বামী অত্যাচাৰী হ'ব পাৰে, পুৰুষতান্ত্ৰিক কু- প্ৰথাৰে পত্নীক শোষণ কৰি সমাজৰ শৃংখলা ভাঙি অশান্তি আনিব পাৰে। সকলো নহয়, সকলো পুৰুষ একে বুলি ভাৱটো আমাৰ প্ৰগতিৰ প্ৰাচীৰ হ'ব। এখন সংসাৰৰ মূল মন্ত্ৰ বিশ্বাস, সহযোগিতা আৰু সদভাৱ, বুজাবুজি । স্বামী-স্ত্ৰী দুয়ো সমব্যথী আৰু সমদৰ্শী হ'ব পাৰিলে বহু সমস্যা সমাধান হয় । স্বামীৰ গুণ সমূহ আমি গঠনমূলক সমালোচনা আৰু প্ৰসংসাৰ দ্বাৰা প্ৰতিভা বিকাশ হোৱাত সহায় কৰিব পাৰো, তেওঁৰ মৰ্যদা বৃদ্ধি হ'লে প্ৰথমে আমি আত্ম সন্তুষ্টিৰ হাঁহি মাৰিম । অনুৰাগ, আনুগত্যই প্ৰেমক মধুৰ কৰে। দৈহিক আৰু মানসিক ভাৱে দিনে-নিশাই শ্ৰম কৰা মানুহ জনক আমাৰ সামান্যতম স্বীকৃতিয়ে মুখলৈ উজ্জ্বলতা কঢ়িয়াই আনে । তেওঁৰ চৰিত্ৰৰ শ্ৰেষ্ঠ গুণ ব্যক্তিত্ব, সংবেদনশীলতাই আমাক সুখী কৰে । স্বামী-স্ত্ৰী এজনে আনজনৰ সুখী কৰিববলৈ হ'লে কৰ্তব্য আৰু সহযোগিতা মাজেদি কৰ্ম কৰাৰ হেঁপাহ আৰু আগ্ৰহ বৃদ্ধি কৰি ব্যক্তিত্ব আৰু কৰ্মদক্ষতা প্ৰসাৰিত কৰিব লাগিব। প্ৰবাদ আছে, অফুৰন্ত সুখদায়িনী নাৰী ব্যাধি মুক্ত হয় ।

স্বামী-স্ত্ৰীৰ সুন্দৰ গঠন মূলক চিন্তা, বিজ্ঞান শিক্ষাৰ প্ৰতি আগ্ৰহ, অনুশীলন, সদায়ে নতুন কিবা এটা কৰাৰ সৃষ্টিমূলক এটি মনে ঘৰ- সংসাৰলৈ সৌন্দৰ্য কঢ়িয়াই আনে। শৰীৰৰ সৌন্দৰ্যতকৈ সু স্বাস্থ্য আৰু মনৰ সৌন্দৰ্যই এখন ঘৰ স্বৰ্গ সদৃশ কৰে।

আজি কালি প্ৰায় বিলাক স্বামী-স্ত্ৰী কৰ্ম ব্যস্ত, দিনৰ দিনটো ব্যৱসায়িক সমস্যাই ভাৱাক্ৰান্ত কৰি ৰাখে, তাৰ মাজতে পৰিৱৰ্তিত পৰিস্থিতিত নিজকে খাপ-খোৱাই আপোনজনৰ সৈতে গুণগত সময় বিনিময় কৰিলে দেহ মন প্ৰফুল্ল হৈ থাকে। দাম্পত্য জীৱনত অভাৱ, অভিমান, অশান্তি, উদ্বেগ, হাই কাজিয়া কম বেছি থাকিবই কিন্তু এই সমস্যা সমূহ সমাধানৰ সূত্ৰ নিজৰ মাজতে থাকে। মানৱ জীৱনৰ এই চুটি সময়ক কি দৰে প্ৰতি ক্ষণ উদযাপন কৰিব পাৰি তাক অনুসন্ধান কৰাই আমাৰ লক্ষ্য হওক। কৰ্ম ক্ষেত্ৰত এজনে আনজনক বৰ বেছি হস্তক্ষেপ নকৰা ই শ্ৰেয় । ব্যৱসায়িক, কৰ্ম জীৱন, সৃষ্টি মূলক কাম কৰোঁতে প্ৰতিজনেই নিজ স্বাধীন সত্তাৰে কাম কৰিববলৈ বিচাৰে, কৰ্মক্ষেত্ৰ আৰু পৰিয়ালত একেজন ব্যক্তিৰ পৃথক ভূমিকা থাকে। এনে ক্ষেত্ৰত হস্তক্ষেপ কৰাতকৈ বাহিৰৰ পৰা কৰ্মপ্ৰেৰণা দিয়াটো বুদ্ধিমানৰ কাম । বিশ্ববিখ্যাত বহু ব্যক্তিৰ সাফল্যৰ আঁৰত আছে তেওঁলোকৰ সাদৰী গৃহিনীৰ নিৰন্তৰ প্ৰেৰণা । কৌশলপূৰ্ণতাৰে সৰল আৰু স্পষ্ট ভাষাৰে কথা এটা ক'লে গুৰুত্ব বৃদ্ধি পায়,পেন পেননিয়া স্বভাৱ দুৰ্বলতাৰ পৰিচয়, আমাৰ কথা যে সদায়েই শুদ্ধ হ'ব, তেনে নহয়। যুক্তি আৰু বিবেচনাৰে শুদ্ধ সিদ্ধান্ত গ্ৰহণ কৰি লোৱাৰ মানসিকতা থাকিব লাগিব ।দুখ- কষ্ট প্ৰশান্তচিত্ত গ্ৰহণ কৰিব পৰাটো নাৰীৰ অন্যতম গুণ । বিশ্বাস আৰু পাৰস্পৰিক বুজাবুজিৰে অল্প অৰ্জনতে সন্তোষ পাব পাৰি। স্বামী স্ত্ৰী এজন আনজৰ বাবে এখন স্বচ্ছ দাপোন, আত্ম সমালোচনাৰে সুৰুচিপূৰ্ণ জ্ঞানৰ সন্ধানেৰে দুয়ো সংসাৰ সুন্দৰতা আনে । বহু স্বামীক পত্নীয়ে সমালোচনা মাজেদি পদস্খলনৰ পৰা ৰক্ষা কৰে। কেতিয়াবা সফলতাৰ ঠাইত বিফলতা আহিব পাৰে, কোনো কামত ব্যৰ্থ হ'লে উৎসাহ আৰু উদ্দীপনাৰ প্ৰয়োজন। ভালপোৱা, সযত্নই এক স্বৰ্গীয় অনুভূতি প্ৰদান কৰে য'ত কঠিন মুহূৰ্ততো ভুলবোৰ সংশোধন কৰি আৰোহণমুখী যাত্ৰাৰে আগবাঢ়িব পাৰি । বিশ্বাস আৰু আস্থাৰে দুই জন মিলি প্ৰয়োজন বোৰ পূৰ্ণ কৰিলে সংসাৰ আৰু সমৃদ্ধই পূৰ্ণতা পায় । যিজনে আপোনজনৰ চিন্তাক বুজি হৃদয়ৰ পথটো চিনিব পাৰে, তাতকৈ সৌভাগ্য একো নাই ।কৰ্ম সূত্ৰে স্বামী স্ত্ৰী পৃথক ঠাইত থাকিব লগা হ'লেও কিন্তু পৃথক হ'ব নালাগে মনোজগত। সুখ আৰু সৌন্দৰ্যৰ অনুভৱ একে হ'লে আজি একবিংশ শতিকাত বিজ্ঞান প্ৰযুক্তিৰ আশীৰ্বাদত উত্তৰ মেৰুৰ প্ৰেমিকাই দক্ষিণ মেৰুৰ প্ৰেমিকৰ লগত প্ৰেমালাপ কৰিব পাৰে ।

কৰ্মব্যস্ত জীৱনত এযাৰ মৰমৰ মাত,খোৱা-বোৱা যতন, এজন ভাল শ্ৰোতাহে তেওঁৰ সমস্যা সমূহ মন দি শুনা, সমাধানৰ সূত্ৰ বিশ্লেষণ কৰা। সকলো সপোন, হেঁপাহ পূৰ্ণ নহ'লেও থকা খিনিকেলৈ আনন্দ কৰা স্বামী স্ত্ৰীৰ মৌলিক স্বত্ব । তেওঁৰ লগতে পৰিয়ালৰ আন সদস্য সকলৰ দুখ-সুখৰ সমভাগি হ'লে আপোনজন আৰু আপোনহৈ পৰে। সংগীত, নৃত্য, নাটক অনুষ্ঠানত ভাগ লোৱা, মাজে মাজে ফুল, কবিতা, গ্ৰন্থ বা ছবি উপহাৰ দিয়া, উল্লেখযোগ্য দিনবোৰ উদযাপন কৰা, তেওঁ ভাল লগা ঠাই ভ্ৰমণৰ বাবে আগ্ৰহ দেখুৱা, সামাজিক বা ধৰ্মীয় অনুষ্ঠানলৈ একে লগে যোৱা ইত্যাদিয়ে দুই জনৰ মাজত আত্মীয়তা বঢ়িয় ।

চাৰিওফালে কেৱল সমস্যা, এই কংক্ৰীটৰ পৃথিৱীত আমি সেউজীয়া বিচাৰিব লাগিব আমাৰ আপোনজনৰ হৃদয়ত, সকলোৰে সংসাৰ সুখৰ হওক, প্ৰতি ঋতুৰ আগমনত দুটি প্ৰেমিক পক্ষী ব্যাকুলহৈ পৰক, খং, ৰাগ, দুষ্ট বুদ্ধিবোৰ বিসৰ্জন দি প্ৰতি গৰাকী স্বামী -স্ত্ৰীয়ে নতুন প্ৰভাতত সুৰুজৰ ৰূপোৱালী আভাক স্বাগতম জনাওক, গীতিকাৰৰ ভাষাত 'অনুৰাগ তোমাৰ বাবে! অনুভূতি তোমাৰ বাবে ......

**অণুগল্প**

## শুদ্ধ পথ

**ৰাজশ্ৰী শৰ্মা**
**গোলাঘাট, বনগাঁও**



ঃ বাঃ বৰ ধুনীয়া হলি। মাজতে যে কিবা কিবি শুনিছিলো যে, কি হ'ল সেইবোৰ ?

ঃ চব ঠিক হৈ গ'ল ।

ঃ কেনেকৈ ?

ঃ আগতে আনৰ পথ সলনি কৰিব বিচাৰিছিলো আৰু আৰু এতিয়া নিজৰ পথ সলনি কৰি ললোঁ।

# আলেকজেণ্ডাৰক কৈ দিবাগৈ

জ্যোতি খাটনিয়াৰ

জ্ঞানৰ জগতখনত বিচৰণ কৰা সকলৰ বাবে এটা প্ৰধান আগ্ৰহৰ বিষয় হ'ল মানৱ ইতিহাসে বিশেষভাৱে স্বীকৃতি দিয়া জ্ঞানচৰ্চাৰ কেন্দ্ৰসমূহত কিদৰে বিভিন্ন জনৰ মাজত, পাৰস্পৰিক বিৰোধীতা থকা স্বত্তেও, জ্ঞানৰ আদান- প্ৰদান হৈছিল? হাজাৰ হাজাৰ বছৰ বিয়পা মানুহৰ সাধনাই কিদৰে মনৰ অলি-গলিত চিন্তাৰ চাকিক জ্বলাই ৰাখিছিল? মানৱ আত্মাৰ নীৰৱ আৰু দীঘলীয়া পৰিক্ৰমাৰ বাটত যিবোৰ অঞ্চলে গভীৰ চাপ পেলাই গৈছে, সেইবোৰ অঞ্চল দৰাচলতে পৃথিৱীৰ উমৈহতীয়া অঞ্চল। একবিংশ শতিকাৰ এই সময়ছোৱাত থিয় হৈ জানিবলৈ মন যায়, কি ধ্যানমগ্ন তন্ময়তা আৰু গভীৰ অধ্যৱসায়েৰে তক্ষশীলা, আলেকজেন্দ্ৰিয়া, নালন্দা, কেম্‌ব্ৰিজ, অক্সফোৰ্ড, গটিনজেন, কোপেনহাগেন, পেৰিছ আদি জ্ঞান চৰ্চাৰ কেন্দ্ৰবোৰত উৎসৰ্গিত মানৱ আত্মাই সত্যৰ সন্ধান কৰিছিল? সত্যৰ সন্ধানত এই নিমগ্ন মানৱ আত্মাবোৰে জয় কৰিছিল প্ৰলোভন আৰু ভয়ক। তেওঁলোকৰ যাত্ৰা আছিল আন্ধাৰৰ পৰা পোহৰলৈ। খ্ৰীষ্টপূৰ্ব চতুৰ্থ শতিকাত ৰণ উন্মাদ আলেকজেণ্ডাৰে তক্ষশীলাত উপস্থিত হৈ প্ৰখ্যাত সাধু দণ্ডামিছক মাতি পঠিয়ালে। আলেকজেণ্ডাৰৰ দূতে সাধু দণ্ডামিছক কৈছিল যে মহান জিউছৰ পুত্ৰ বিশ্ববিজয়ী আলেক- জেণ্ডাৰে তেওঁক লগ পাব খুজিছে। সাধুজনা গ'লে তেওঁক ধন সোণেৰে ওপচাই পেলোৱা হ'ব আৰু নগ'লে তেওঁক শিৰচ্ছেদ কৰা হ'ব। এয়াই আলেকজেণ্ডাৰৰ আদেশ। অৰণ্যৰ মাজত প্ৰশান্ত চিত্তেৰে বহি থকা দণ্ডামিছৰ মুখত এই কথা শুনি সামান্য অভিব্যক্তিও দেখা নগ'ল। গছৰ পাতেৰে ঢাক খাই থকা তেওঁৰ শৰীৰৰ পৰা আনকি মুখখনো ওলাই নাহিল। তেওঁ আলেকজেণ্ডাৰৰ দূতক উত্তৰ দিলেঃ "আলেকজেণ্ডাৰ যদি মহান জিউছৰ পুত্ৰ, তেনেহলে ময়ো সেই জিউছৰে সন্তান। যোৱা আৰু কোৱাগৈ, বিশ্বত সূৰ্য্যৰ পোহৰ পৰা এনে বহু দেশ আছে আৰু এনে বহু মানুহ আছে যি আলেকজেণ্ডাৰৰ নামেই এতিয়ালৈকে শুনা নাই। আলেকজেণ্ডাৰ সৰ্বশক্তিমান নহয়। কাৰণ তেওঁ মৃত্যুৰ অধীন। তেওঁ মোক যি ধন-সোণ দিব খুজিছে, সেইবোৰৰ মোক কোনো প্ৰয়োজন নাই। কাৰণ এই অৰণ্যৰ গছ লতা আৰু জান-জুৰিৰ পানীয়েই মোৰ বাবে যথেষ্ট। তেওঁ মোক হত্যা কৰিলে মোৰ আত্মা অনন্ত শূন্যত বিয়পি পৰিব, যাৰ ওপৰত তেওঁ কোনোদিনেই নিয়ন্ত্ৰণ স্থাপন কৰিব নোৱাৰিব।" ইপিনে বিশ্ব বিজয়ত ওলোৱাৰ পূৰ্বে আলেকজেণ্ডাৰক মহান দাৰ্শনিক আৰু তেওঁৰ গুৰু এৰিষ্ট'টেলে কৈ পঠিয়াইছিল যে ভাৰতত তেওঁ এনে লোক লগ পাব, যাৰ বৈষয়িক কথা বতৰা বা ধন সম্পদত কোনো আসক্তি নাই। সাধু দণ্ডামিছ এৰিষ্ট'টেলে আলেকজেণ্ডাৰক কৈ পঠিওৱা তেনে এজনা লোক। দণ্ডামিছে আলেকজেণ্ডাৰক উদ্দেশ্যি আৰু কৈ পঠিয়াইছিল যে তেওঁক আলেকজেণ্ডাৰৰ কোনো প্ৰয়োজন নাই। আৰু যদিহে আলেকজেণ্ডাৰে কিবা কথা জানিব খোজে, তেনেহ'লে তেওঁ দণ্ডামিছৰ ওচৰলৈ আহিব পাৰে। আলেকজেণ্ডাৰ অভিভূত হ'ল আৰু অধিৰ আগ্ৰহেৰে তেওঁ দণ্ডামিছক দেখা কৰিবলৈগে। পৰৱৰ্তী সময়ত তক্ষশীলাত সেই আলেকজেণ্ডাৰে কেইবাগৰাকীও বিদ্বানক মাতি আনি অতি জটিল প্ৰশ্ন সুধিবলৈ ল'লে। আৰু সতৰ্ক কৰি দিলে যে কোনো উত্তৰে সম্ৰাট আলেকজেণ্ডাৰক অসন্তুষ্ট কৰিলে তেওঁলোকক হত্যা কৰা হ'ব। ইয়াৰ এটা প্ৰশ্ন আছিলঃ জীৱন আৰু মৃত্যুৰ মাজত কোন বেছি অৰ্থবহ? বিদ্বান এজনাৰ উত্তৰ হ'ল জীৱন। কাৰণ ই অসংখ্য জটিলতা আৰু নানা নেতিবাচক কথা- বতৰাক কঢ়িয়াব লগাত পৰে। আলেকজেণ্ডাৰে সোধা প্ৰশ্ন আছিলঃ দিন আগৰ নে ৰাতি আগৰ? বিদ্বানৰ উত্তৰ হ'লঃ দিন ৰাতিতকৈ এদিন আগৰ। আলেকজেণ্ডাৰে এই উত্তৰ শুনি আচৰিত হোৱা দেখি নিৰ্ভিক পণ্ডিতজনাই ৰণ উন্মাদ সম্ৰাটজনাৰ চোকা তৰোৱালকো ভয় নকৰি কৈ উঠিল যে সম্ৰাট আপুনি অবান্তৰ প্ৰশ্ন সুধিছে আৰু অবান্তৰ উত্তৰে পাব। আলেকজেণ্ডাৰৰ আন এটা প্ৰশ্ন আছিলঃ এজন মানুহক সৰ্বাধিক কেতিয়া ভাল পাব পাৰি? বিদ্বান এজনাৰ উত্তৰ আছিলঃ অতি শক্তিশালী হৈয়ো যিজনাই ভয়ৰ উদ্ৰেক নকৰে। তক্ষশীলাৰ এই উজ্জীৱিত জ্ঞানচৰ্চাৰ পৰিবেশ দেখি সম্ৰাট আলেকজেণ্ডাৰ বিস্মিত হ'ল আৰু ধন সোণ সহ কেউজনা বিদ্বানক বিদায় দিলে। পৰৱৰ্তী সময়ত তক্ষশীলাত বিশ্ববিদ্যালয় গঢ়ি উঠিল। আলেকজেণ্ডাৰে নীল নৈৰ পাৰত ইজিপ্তৰ বুকুত গঢ়ি তুলিলে জ্ঞান চৰ্চাৰ আন এক অতি শক্তিশালী কেন্দ্ৰ আলেকজেন্দ্ৰিয়া (খ্ৰীষ্টপূৰ্ব ৩৩১ ত স্থাপিত)। মনৰ চকুৰে উভতি চালে যিকোনো অধ্যয়ন পিপাসুলোকে দেখা পাব, আজিৰ পৰা ১৬০০ বছৰ আগলৈকে আলেকজেন্দ্ৰিয়াত সক্ৰিয় হৈ থকা চিন্তা চৰ্চাৰ বিশেষ পৰিৱেশ। কি বিষয়ৰ অধ্যয়ন হোৱা নাই তাত? জ্যামিতি, গণিত, দৰ্শন, জ্যোতি বিজ্ঞান, যন্ত্ৰ-পাতি নিৰ্মাণ- এই সকলোবোৰৰ মেটমৰা জ্ঞানৰ সম্ভাৰ লৈ আলেকজেন্দ্ৰিয়াৰ পুথিভঁৰালত ব্যস্ত পৃথিৱীৰ বিভিন্ন কোণৰ পৰা পঢ়িবলৈ যোৱা ছাত্ৰ- সমাজ। প্লেটোৰ দৰ্শন, ইউক্লিডৰ জ্যামিতি, ডায়োফেন্তাছৰ বীজগণিত, ইজিপ্তৰ কৃষিখণ্ডৰ বাবে প্ৰয়োজনীয় কেলেণ্ডাৰ, নানান বৈজ্ঞানিক যন্ত্ৰ পাতি নিৰ্মাণ, এই সকলোবোৰে সমৃদ্ধ কৰিছে নীল নদীৰ পাৰৰ ইজিপ্তৰ এই জ্ঞানৰ পোহৰৰে উদ্ভাসিত বিশেষ অঞ্চল।

গুৰুদেৱ ৰবীন্দ্ৰনাথ ঠাকুৰে তেওঁৰ অতি শক্তিশালী ৰচনা 'আশ্ৰমৰ ৰূপ ও বিকাশ'ত কৈছে যে প্ৰাচীন ভাৰতত তপোবন আচলতে কেনেকুৱা আছিল, সেয়া আজি কোৱা অসম্ভৱ। এই কথা বুজা যায় যে অৰণ্যই আছিল জ্ঞান পিপাসুৰ সাধনাৰ স্থল। পুত্ৰ পৰিবাৰক লৈ তেওঁলোকে তাতেই গাৰ্হস্থ্য জীৱন পালন কৰিছিল। স্বাভাৱিকতে কাম, ক্ৰোধ, ৰাগ, খং, দ্বেষৰ আলোড়ন তাত আছিল। কিন্তু ৰবীন্দ্ৰনাথৰ মতে ভাৰতৰ আত্মা আৰু সাহিত্যত তপোবনৰ যি ৰূপ স্থায়ী হৈ বৈ গৈছে, সেয়া হল কল্যাণৰ নিৰ্মল সুন্দৰ মানস মূৰ্তি। বিলাস-মোহমুক্ত শক্তিশালী আনন্দৰ এটা ৰূপ এই তপোবন। তপস্যাৰ এটা গতিমান ধাৰা এই তপোবনত প্ৰবাহিত হৈছে। এই শিক্ষা পদ্ধতিত শিক্ষক জনা এজন নিষ্ক্ৰিয় মানুহ নহয়। কাৰণ, মনুষ্যত্বৰ লক্ষ্য সাধনতেই তেওঁ ব্যস্ত। অৰণ্যৰ নিৰ্মল পৰিবেশত, নিজৰাৰ শব্দ, গাই গৰুৰ হেম্বেলনি, বসন্তৰ বিৰ বিৰ মলয়া, শীতৰ পুৱাৰ ৰ'দৰ আমেজ- এইবোৰৰ মাজত



কেনেদৰে জ্ঞানৰ চৰ্চা হৈছিল, সেয়া আজি ৰবীন্দ্ৰনাথৰ চিন্তা ধাৰ কৰি ক'বলৈ গ'লে, এক শান্ত, সুন্দৰ যুগৰ প্ৰতীক। এই তপোবনৰ মাধ্যমেৰে জ্ঞান চৰ্চা কিমান দিন চলি থাকিল, সেয়া কোৱা টান। কিন্তু এই কথা স্পষ্ট যে সকলোৱে মিলি কাম কৰাৰ যি প্ৰৱণতা, যাৰ জৰিয়তে আশ্ৰম ব্যৱস্থাত পৰিচালিত হৈছিল, সি আছিল পুনৰাই ৰবীন্দ্ৰনাথৰ ভাষাত "কৰ্ম সমবায়"। তপোবন বা আশ্ৰমৰ শিক্ষা বা জীৱন শৈলীৰ মূল কথাটোৱে হ'লঃ "বস্তুলুব্ধতাৰ পৰা মুক্তি"। ৰবীন্দ্ৰনাথে তেওঁৰ শান্তিনিকেতনৰ শিক্ষা ব্যৱস্থাত প্ৰাচীন ভাৰতৰ তপোবন বা আশ্ৰমৰ ধাৰণাটোক প্ৰয়োগ কৰিব খুজিছিল। তেওঁ বিশ্বাস কৰিছিল যে গুৰু আৰু শিষ্যৰ সম্বন্ধ হোৱা উচিত আধ্যাত্মিক। আন কথাত শিক্ষা দিয়াটো গুৰুজনাৰ নিজৰ সাধনাৰেই প্ৰধান অংগ। প্ৰাচীন ভাৰতৰ নালন্দা বিশ্ববিদ্যালয়ৰ শিক্ষা ব্যৱস্থাটোক কবিগুৰু ৰবীন্দ্ৰনাথৰ এই গভীৰ উপলব্ধিৰ সবাতোকৈ শক্তিশালী উদাহৰণ বুলি ভাবিব পৰা যায়।

জানিবলৈ মন যায়, কি অসাধাৰণ সংযম আৰু অনুশীলনেৰে নালন্দাৰ কোঠালীবোৰত গুৰু আৰু শিষ্যৰ মাজত ভাৱৰ আদান প্ৰদান হৈছিল। লাখ লাখ পাণ্ডুলিপি থকা নালন্দাৰ পুথিভঁৰালত জ্ঞানৰ কি বিচিত্ৰ ৰূপবোৰে পৃথিৱীৰ বিভিন্ন প্ৰান্তৰৰ পৰা অহা দহ হেজাৰৰো অধিক শিক্ষাৰ্থীৰ চকুৰ আগত অগা দেৱা কৰিছিল। নালন্দাৰ সোতৰজন প্ৰসিদ্ধ শিক্ষকৰ প্ৰত্যেকেই আছিল অসাধাৰণ জ্ঞানপুষ্ট। অক্সফোৰ্ড বিশ্ব- বিদ্যালয়ত প্ৰতিষ্ঠা হোৱা বহু আগেয়ে পৃথিৱীৰ প্ৰথমখন আৱাসিক বিশ্ববিদ্যালয় স্থাপন হৈছিল। গুপ্ত সম্ৰাট সকল আছিল হিন্দু। কিন্তু বৌদ্ধ সকলৰ চিন্তা চৰ্চাৰ আঁৰত থকা বুদ্ধিদীপ্ততা আৰু ওখ খাপৰ দাৰ্শনিক ভাৱনাই তেওঁলোকক আকৰ্ষিত কৰিছিল। এই চিন্তা চৰ্চাৰ পৰিসৰ আৰু গভীৰতা ইমানেই আছিল যে দালাই লামাই কিছু দিনৰ আগতে এনেদৰে মন্তব্য কৰিছিলঃ "The source of all the Buddhist knowledge we have has come from Nalanda." এহ জ্ঞান চৰ্চাৰ কেন্দ্ৰ স্থলীত সোতৰ জনকৈ অসাধাৰণ বিদ্বানৰ নাম জড়িত হৈ আছিল। মহান দাৰ্শনিক নাগাৰ্জুন, আৰ্য্যদেৱ, বুদ্ধ পালিতা, ভৱ বিৱেক, চন্দ্ৰ কীৰ্তি, শান্তিদেৱ, শান্ত ৰক্ষিত, কমল ক্ষীলা, আসংগ, বসুবন্ধু, দিগ্নাগ, ধৰ্মকীৰ্তি, আৰ্য্য বিমুক্তি সেন, হৰিভদ্ৰ, গুণপ্ৰভ, শাক্যপ্ৰভ, অতীশা- এই প্ৰতিগৰাকী বিদ্বানৰে জ্ঞানৰ জগতলৈ বৰঙণি অসীম। বসুবন্ধুৱে মানুহৰ মানসিক জগতখনৰ বিষয়ে বিতংকৈ অধ্যয়ন কৰি গৈছে। যোগাচাৰ বৌদ্ধ মতবাদৰ তেওঁ অন্যতম প্ৰবক্তা। নাগাৰ্জুনে আকৌ ভাৰতীয় চিন্তাত মধ্যম পন্থাৰ ধাৰণাটোক শক্তিশালী কৰি তুলিছিল। বহুতৰ মতে খ্ৰীষ্টিয় ষষ্ঠ শতিকাত এই বিশ্ববিদ্যালয়ৰ দায়িত্বত আছিল আচাৰ্যৰ দায়িত্বত আছিল মহান গণিতজ্ঞ আৰ্যভট্ট।

ইয়াত কেনে ধৰণৰ জ্ঞান চৰ্চা চলিছিল, তাৰ আভাস অন্য এক প্ৰসংগত বিখ্যাত ভাৰতীয় দাৰ্শনিক জিতেন্দ্ৰনাথ মহান্তিয়ে ডাঙি ধৰা এক মন্তব্যৰ পৰা অনুমান কৰিব পাৰিঃ "The Buddhist philosophers rejected the belief in an imperishable self, they rejected the naive realism about the external world, they rejected the power of language to mirror reality, they rejected the efficacy of ritualistic actions and by implication, the authority of the Vedas and not an unimportant revolution, they rejected the divine origin of monarchy."

অস্তিত্বৰ মূল আধাৰ আৰু জীৱন যাপনৰ পৰিক্ৰমাক লৈ যদি তক্ষশীলা বা নালন্দাত গভীৰ চৰ্চা হৈছিল, তাৰ বিপৰীতে প্ৰায় কেইবা শ বছৰৰ পিছৰ জাৰ্মানীত বিভিন্ন বিশ্ব- বিদ্যালয়, চহৰক কেন্দ্ৰ কৰি গঢ় লৈ উঠা জ্ঞান চৰ্চাৰ আন এটা পৰিমণ্ডলৰ কথাও মানুহৰ অন্তহীন কৌতুহল আৰু বৌদ্ধিক যাত্ৰাত চিৰদিনলৈ ৰৈ যাব। ঊনবিংশ শতিকাৰ জাৰ্মানীৰ গটিনজেনৰ জ্ঞান গৰিমা ইমানেই উজ্জ্বল আছিল যে আলেকজেণ্ডাৰৰ পৰৱৰ্তী কালৰ আটাইতকৈ বিখ্যাত সমৰ নায়ক, গণিত পিপাসু সম্ৰাট নেপোলিয়নে (১৭৬৯-১৮২১) কৈছিলঃ "Göttingen belongs neither to a State, nor to Germany, and is the University of Europe."

আগলৈ...




JANASANYOG- 212/24/23-June-24

# সৌন্দর্য্য প্রতিযোগিতা মহিলা সকলক হেয় প্রতিপন্ন কৰাৰ এক মাধ্যম নেকি ?



**অনামিকা(সংগীতা) কলিতা,গুৱালকুছি**

সৌন্দর্য্য প্রতি-যোগিতা মহিলা সকলৰ হেয় প্রতিপন্ন কৰাৰ মাধ্যম কেতিয়াও নহয়। কাৰণ সৌন্দর্য্যৰ মহিলা সকলৰ শৰীৰৰ অংশ বুলি ভাবোঁ।

এজন লেখকৰ উক্তিত পাইছোঁ,কোনে লিখিছে লেখক জনৰ নাম মনত। সুন্দৰ আৰাধনা জীৱনৰ খেল। অর্থাৎ সুন্দৰতা প্রকৃতিৰ পৰাই মানুহৰ মনলৈ আহিছে। মানুহৰ মন সৌন্দর্য্যৰ পিপাসু , সৌন্দর্য চর্চা বা ইয়াৰ প্রতিযোগিতা এইটো নুবুজাই যে মহিলা সকল হেয় প্রতিপন্ন হ'ল।

বিশ্বায়নৰ যুগত সকলো দিশে বিকশিত হৈছে, তেনে স্থলত মহিলা সকলৰ সৌন্দর্য্যৰ প্রতিযোগিতাই তেওঁলোকক এক সুকিয়া মর্য্যদা প্রদান কৰিছে। কিন্তু ইয়াৰ এক শালিনতা বহন কৰিলে কোনো ক্ষতি নহয়।

"সত্যম শিৱম সুন্দৰ" এই উক্তিটোত নিহিত আছে কথাষাৰ। সুন্দৰতা যদি আমি পবিত্র ভাবে উপস্থাপন কৰো ইয়াৰ ফলত কোনো ক্ষতি নহয়, বৰঞ্চ সমাজ খনত মহিলা সকল এক বিশেষ স্থান লাভ কৰিব । শ্রীকৃষ্ণ যেতিয়া ৰুক্মিণী দেখিছিল প্রথম দর্শনতে যোল্ল চিংগাৰত পৰিপূর্ণ ৰুক্মিণী দেখি মোহিত হৈছিল প্রভু ভগৱান। তেওঁলোকৰ প্রেম অমৰ গাঁথা ভাগৱতত লিপিবদ্ধ আছে। গতিকে সৌন্দর্য্যৰ বাহ্যিকভাৱে থকাৰ লগতে অন্তর্নিহিত হ'ব লাগিব সেয়া সৌন্দর্য্য প্রতিযোগিতাত বিচাৰকে কৰা প্রশ্নবোৰৰ পৰা জানিব পাৰিছোঁ কিছু সাছ-পোছাকত শালিনতা খুবেই প্রয়োজন। কাৰণ মহিলাক অর্ধআকাশৰ লগত তুলনা কৰা হয়।

# গুটখা আৰু পাণমচলা কেতিয়া বন্ধ হব ?

**দেবর্ষি গৌতম, বনগাঁও**



গুটখা অথবা পাণমচলা মানব শৰীৰ বাবে অতিকৈ ক্ষতিকাৰক। এই কথা কেৱল মুখেৰে কোৱা কথা নহয়। বিভিন্ন সমীক্ষা তথা বিভিন্ন গৱেষণাত এনেধৰণৰ তথ্য সময়ে সময়ে প্রকাশ হৈ আহিছে। গুটখা অথবা পাণমচলা খোৱাৰ ফলত কোনো ব্যক্তিৰ দেখাত তাৎক্ষণিক ভাৱে কোনো ৰোগৰ লক্ষণে দেখা নিদিয়ে। লাহে লাহে আৰু অতি সন্তর্পণে গুটখা অথবা পাণমচলাই এগৰাকী ব্যক্তিৰ দেহত বিভিন্ন ধৰণে ক্রিয়া কৰিবলৈ আৰম্ভ কৰে। প্রথম অৱস্থাত এগৰাকী ব্যক্তি এই গুটখা অথবা পাণমচলাৰ প্রতি আসক্ত নহয় যদিও দিন যোৱাৰ লগে লগে যেতিয়া খোৱাৰ পৰিমাণ বৃদ্ধি হয় তেতিয়াই নিজে গম নোপোৱাকৈ সেই ব্যক্তিগৰাকী আসক্ত হৈ পৰে। গুটখা অথবা পাণমচলাৰ আশক্তিয়ে এগৰাকী ব্যক্তিক এখোজ এখোজকৈ মৃত্যুৰ দুৱাৰ দলিলৈ আগবঢ়াই লৈ যায়। হয়তো যি কথা এগৰাকী ব্যক্তিয়ে গুটখা অথবা পাণমচলা খোৱাৰ আগত নাইবা পিছত কেতিয়াও কল্পনা নকৰে। বজাৰত অতি সহজলভ্য হোৱা হেতুকে যিকোনো বয়সৰ লোকে এই গুটখা অথবা পাণমচলা কিনিব পাৰে। যাৰ ফলত বহুত কম বয়সৰ লৰা ছোৱালীও গুটখা অথবা পাণমচলা কিনি খাবলৈ সুবিধা লাভ কৰিছে। মানৱ শৰীৰ বাবে অতিকৈ হানিকাৰক এই গুটখা অথবা পাণমচলা যদি সমাজৰ পৰা দূৰ নহয় তেনেহলে এটাৰ পিছত এটা প্রজন্মৰ বিভিন্ন লোক ইয়াৰ প্রতি আসক্ত হব আৰু বিভিন্ন ৰোগত আক্রান্ত হব। গুটখা অথবা পাণমচলাৰ প্রতি আসক্ত ব্যক্তিসকলৰ দেহত ধৰা পৰা প্রধান ৰোগবিধ হৈছে কর্কট ৰোগ। যি ৰোগ হোৱাৰ পিছত এগৰাকী ব্যক্তি জীৱন মৃত্যৰ সৈতে যুজঁ দিয়াৰ উপৰিও আর্থিক অৱস্থা টনকিয়াল নহলে সর্বশ্রান্ত হৈ পৰাৰ সম্ভাৱনা অধিক প্রকট হৈ উঠে। বহু লোকে চিকিৎসাৰ অন্তত কৰুণ মৃত্যুক আঁকোৱালি লবলৈ বাধ্য হৈ পৰে। সমাজৰ বাবে অতি মাৰাত্মক এনেধৰণৰ বস্তু সমূহ অতি শীঘ্রে বজাৰত সম্পূর্ণৰূপে নিষিদ্ধ কৰিব লাগে। আমি বহু সময়ত দেখিবলৈ পাওঁ যে প্রশাসনৰ ফালৰ পৰা বজাৰত বিক্রী হৈ থকা কিছুমান গুটখাৰ বিৰুদ্ধে অভিযান চলে। কিন্তু কেৱল গুটখাৰ বিৰুদ্ধে নহয় পাণমচলাৰ বিৰুদ্ধেও এই অভিযান চলিব লাগে। গুটখা বিক্রীৰ বিৰুদ্ধে যদিও মাজে মাজে বজাৰত প্রশাসনৰ অভিযান চলে তথাপিও কিন্তু সেয়া সাময়িক অভিযানহে মাথোঁ। যদি সচাকৈ চৰকাৰ প্রশাসনৰ গুটখা আৰু পাণমচলা সমাজৰ পৰা স্থায়ীভাৱে নির্মূল কৰাৰ সদিচ্ছা আছে তেনেহলে কেৱল সাময়িক অভিযান চলোৱাৰ পৰিবর্তে ইয়াৰ উৎপাদন বন্ধ কৰিব লাগিব। উৎপাদন বন্ধ নকৰিলে যিমানে অভিযান চলিলেও চোৰাংকৈ হলেও ইয়াৰ বিক্রী চালিয়ে থাকিব। এনে ধৰণৰ উদ্যোগ অথবা প্রতিষ্ঠান সমূহৰ পৰা চৰকাৰে এক মোটা অংকৰ ৰাজহ সংগ্রহ কৰিবলৈ সক্ষম হয় সেই কথা সর্বজনবিদিত। কিন্তু কেৱল ৰাজহ আদায় কৰাৰ স্বার্থক অগ্ৰাধিকাৰ দি চৰকাৰে কেতিয়াও সাধাৰণ ৰাইজৰ জীৱনক অৱজ্ঞা কৰিব নোৱাৰে। বর্তমান সময়ত সাধাৰণ ৰাইজৰ জীৱনৰ প্রতি গুটখা অথবা পাণমচলাই যিদৰে ভাবুকি কঢ়িয়াই আনিছে তাৰ প্রতি লক্ষ্য ৰাখি চৰকাৰে ব্যৱস্থা লোৱাৰ সময় সমাগত হৈছে। যদি ৰাজহ আদায় কৰাৰ স্বার্থত চৰকাৰে এই সমূহ বিষয় আওকান কৰে তেনেহলে আমাৰ সমাজৰ বিশেষকৈ যুৱপ্রজন্মৰ অধিকাংশ যুৱক-যুৱতীৰ জীৱনলৈ অতি কম সময়ৰ ভিতৰত অন্ধকাৰ নামি আহিব। যাতে সময় থাকোতে চৰকাৰে এনেবোৰ বিষয় অতি গুৰুত্বসহকাৰে বিবেচনা কৰে সেয়া আমাৰ সমাজৰ প্রতিগৰাকী সচেতন লোকৰে কাম্য।

# এটি প্রেমৰ স্তবক

**ৰাজলক্ষ্মী বৰঠাকুৰ,দেৰগাঁও**



সুভাসনা মনত পৰেনে কেতিয়াবা,
তোমাৰ সেই ৰঙীন সন্ধিয়া বোৰ
আৰু সেই বকুল তলৰ আবেলি
যত বহি দুইয়ো দেখিছিলো ।
প্রেমৰ মাদকতাৰে ভৰা ৰঙীন সপোন বোৰ
আৰু ভাবিছিলো জীৱনৰ শুকান
বলুকাত তুমিয়েই সিচিবা
মৰমৰ কঠিয়া ।
সীমাহীন সুখ ঐশ্বর্য্যৰ মাজত হয়তো
তুমি পাহৰি গলা !
আমাৰ এই মৰম ভাল পোৱা বোৰ
মই কিন্তু পাহৰা নাই কাৰণ
মোৰ হৃদয়ত লিখা আছে মাথো
তোমাৰেই নাম
মুচিব খুজিলেও মুচিব নোৱাৰিবা
কিয়নো মোৰ প্রেমেই হল তেনেকুৱা ।

# সন্ধিয়াৰ জোনাকখিনি

**মানসী মিশ্র**



সন্ধিয়াৰ আকাশৰ
জোনাক চাই ভাল পাঁও মই
আকাশৰ বুকুত সাৰটি থকা
জোনাকলৈ বাৰে বাৰে চাওঁ
এনেহেন লাগে জোনাকেও
মোলৈ যেন তধালাগি চাই
এৰা, পূর্ণিমাৰ দিনটোলৈ মই
হেঁপাহেৰে বাট চাই ৰওঁ
কিজানি মোৰ হেঁপাহবোৰক
জোনাকৰ বুকুতে বিচাৰি পাওঁ

# আমাক বৰ্তমান সময়ত ভুল শিক্ষা প্ৰদান কৰা হৈছে




**চন্দ্ৰ শেখৰ পৰাজুলী,বিশ্বনাথ চাৰিআলি**

শিক্ষা হ'ল আমাৰ সুন্দৰ আৰু সুস্থ জীৱন গঠনৰ প্ৰধান বা মুখ্য আহিলা। কেৱল একমাত্ৰ শিক্ষাৰ জৰিয়তে আমি আমাৰ জীৱনৰ গতিপথ সলনি কৰিব পাৰোঁ। মই ইয়াতে কেৱল আনুষ্ঠানিক শিক্ষা লাভৰ বিষয়ে আলোচনা প্ৰতি আগ্ৰহ প্ৰকাশ কৰা নাই। কাৰণ আনুষ্ঠানিক শিক্ষা সিমিত সময়ৰ পিছত সমাপ্ত হৈ যোৱা পৰিলক্ষিত হয়। কিন্তু এজন মানুহ হৈ জন্ম গ্ৰহণ কৰাৰ পিছত প্ৰকৃত অৰ্থত এজন মানুহ হিচাপে গঢ় লৈ উঠিবলৈ কেৱল আনুষ্ঠানিক শিক্ষায়ে যথেষ্ট নহয়। ফলত আনুষ্ঠানিক শিক্ষা হ'ল আমাক মানুহৰ পৰা প্ৰকৃত মানুহ ৰূপত গঢ়ি তুলিবলৈ কেৱল এক মাধ্যমহে। সেয়েহে মানুহে জন্মৰ পিছৰে পৰা ভবিষ্যতে গৈ প্ৰকৃত অৰ্থত এজন মানুহ হিচাপে গঢ় লবলৈ চেষ্টা অব্যাহত ৰখা উচিত। এতিয়া কথা হ'ল এজন মানুহৰ পৰা আৰম্ভ কৰি প্ৰকৃত অৰ্থত এজন মানুহ হিচাপে গঢ় লৈ উঠিবলৈ কি কি দিশত কাম কৰা উচিত হ'ব বুলি হয়তো প্ৰায়বোৰ মানুহ মন, মস্তিষ্কত অবশ্য প্ৰশ্ন উত্থাপন হ'বলৈ আৰম্ভ কৰিছে নহয়নে ? আচলতে ইয়াৰ উত্তৰ বিচাৰি ইমান হাবাথুৰি খোৱাৰ কোনো প্ৰয়োজন নাই। কাৰণ আমাতকৈ বহু আগতে আমাৰ বুদ্ধিজীৱী বা মাহাত্মা সকলে ধৰ্ম গন্থবোৰৰ পৰা আৰম্ভ কৰি এনে বহুতো পুথি ৰচনা কৰি থৈ গৈছে যিবোৰ পৰা আমি আমাৰ জীৱনক এক সুন্দৰ ৰূপত অংকন কৰিবলৈ সক্ষম হম। আচলতে মাহাত্মা সকলৰ দ্বাৰা ৰচিত হোৱা সেই বাণীসমূহ তাৎপৰ্য বা মহত্ব আমাৰ সৃষ্টিৰ অন্তিম সময়লৈকে সমানে প্ৰযোজ্য হৈ থাকিব। আৰু যিবোৰ মানুহ ইয়াক হবহু অনুকৰণ কৰি চলিবলৈ চেষ্টা অব্যাহত ৰাখিব তেখেত সকলো এই সৃষ্টিতে সমস্ত সুখৰ অধিকাৰী হৈ পৰিব আৰু অন্যান্য যিমানবোৰ মানুহ এই দিশবোৰৰ পৰা আতঁৰি আহি নিজাকৈ সিদ্ধান্ত স্থাপন কৰি আগবাঢ়ি যাবলৈ প্ৰয়ত্ন কৰে তেওঁলোকৰ হাতত সুখী হোৱাৰ সমস্ত সাধনবোৰ নিজৰ লগতে বিৰাজমান হোৱাৰ পিছতো সুখী জীৱনৰ সন্ধান হাবাথুৰি খাই জীৱন নিৰ্বাহ কৰিবলৈ বাধ্য হৈ পৰিব।

এতিয়া আহো আলোচনাৰ মূল বিষয়বস্তুলৈ। আপোনালোকে গভীৰভাৱে অধ্যয়ন কৰিলে গম পাব যে, আমাক বৰ্তমান সময়ত ভুল শিক্ষা প্ৰদান কৰা হৈছে। কাৰণ আমি বৰ্তমান সময়ত প্ৰতিজন মানুহে পদ, প্ৰতিষ্ঠা আৰু সম্পত্তি অৰ্জন কৰাৰ পিছত উঠি পৰি লাগিবলৈ আৰম্ভ কৰি দিছোঁ। কিন্তু এই প্ৰতিযোগিতা মূলক জীৱনৰ প্ৰক্ৰিয়া গঠনৰ আৰতে আছে সুখী জীৱনৰ সন্ধান। বৰ্তমান সময়ত আমাৰ মাজতে এনে অসংখ্য উদাহৰণ আছে যিবোৰ মানুহ পদ, প্ৰতিষ্ঠা আৰু অজস্ৰ ধন, সম্পত্তিৰ অধিকাৰী হোৱাৰ পিছতো জীৱনত প্ৰকৃত অৰ্থত সুখ, শান্তি আয়ত্ত কৰাৰ পৰা বিৰত হৈ আহিছে বা বিৰত হৈ আছে। মই এইখিনিতে এটা কথা উল্লেখ কৰি দিব বিচাৰিছোঁ যে, আমি মানুহ হিচাপে জন্ম গ্ৰহণৰ পিছতে পদ, প্ৰতিষ্ঠা বা ধন, সম্পত্তি অৰ্জন কৰাটো এক অপৰিহাৰ্য্য অংগ। কিন্তু বৰ্তমান সময়ত আমি নিজৰ জীৱনৰ আচল স্বৰূপক পৰিহাৰ কৰি কেৱল ধন, সম্পত্তি অৰ্জন বা পদ, প্ৰতিষ্ঠা লাভৰ পিছতে এক অন্তহীন প্ৰক্ৰিয়াত অবতীৰ্ণ হৈছোঁ কিন্তু কেৱল সুখৰ সন্ধানত নহয়নে? আমি জন্মৰ পিছৰে পৰা এটি শিশুৰ পিছত এনেদৰে লাগিছো যে আমাৰ মানৱ জীৱনৰ মহত্ব কেৱল মাত্ৰ পদ, প্ৰতিষ্ঠা বা ধন সম্পত্তি অৰ্জন মাজতে সীমাবদ্ধ। কিন্তু এই সকলোবোৰ বিষয়বস্তু আয়ত্ত কৰাৰ পিছতো আমি নিজকে সুখী বুলি কবলৈ সক্ষম হয়নে? আমি এতিয়ালৈকে হয়তো সকলোৱে কৃত্ৰিম বা ভৌতিক বস্তুবোৰৰ জৰিয়তে জীৱনত সুখৰ সংজ্ঞা বিচাৰি ফুৰিছো। কিন্তু প্ৰকৃত অৰ্থত সুখৰ সংজ্ঞাবোৰ আধ্যাত্মিক জগতৰ পৰা অৰ্জন কৰিব পাৰি। আৰু আধ্যাত্মিক জগতৰ পৰা আয়ত্ত কৰা সুখৰ সংজ্ঞাবোৰ চিৰস্থায়ী হৈ পৰে। আচলতে আধ্যাত্মিক জ্ঞান অৰ্জনৰ বাবে আমি কেৱল বাবাৰ ৰূপ ধাৰণ কৰি হিমালয়ত গৈ কেৱল তপ, যপৰ জৰিয়তে আয়ত্ত কৰাটো সম্ভৱ এনে কোনো ধৰাবন্ধা কথা নাই। আমি পদ, প্ৰতিষ্ঠা বা অজস্ৰ ধন সম্পত্তি অৰ্জনৰ লগে লগেই জীৱনৰ প্ৰকৃত সত্তাক সজীৱ কৰি তুলিবলৈ সক্ষম। ইয়াৰ বাবে আনকি আধ্যাত্মিক পুথিগত জ্ঞান অৰ্জনৰ কোনো প্ৰয়োজন নাই। কেৱল মাত্ৰ আমাৰ জন্মৰ পিছৰে পৰা নিজ নিজ মন, মস্তিষ্ক, জ্ঞানৰ জৰিয়তে প্ৰকৃতি, পৰিয়াবৰন, মানুহ গঠন, মানুহৰ স্বভাৱ, চৰিত্ৰ, জীৱনৰ নেতিবাচক আৰু ইতিবাচক দিশবোৰক গভিৰতাৰে বিশ্লেষণ কৰিবলৈ প্ৰয়ত্ন কৰিলেই জীৱনৰ আচল স্বৰূপক সকলোবোৰ সুস্থ, সবল মানুহে উদ্ধাৰ কৰিবলৈ সক্ষম হ'ব। সচা অৰ্থত কবলৈ গ'লে আধ্যাত্মিক জগতখনেও সৰু, সৰু সাধাৰণ কথাবোৰত সম্পৰ্ক স্থাপনকে বুজায়। কিন্তু অতি দোষৰ বিষয় বৰ্তমান সময়ত আমি কেৱল এক যান্ত্ৰিক মানৱ আৰু কেৱল মাত্ৰ সুখৰ সন্ধানত আচল অস্তিত্বৰ পৰা আহি প্ৰতিজনে নিজ নিজ জীৱনত নিজৰ সিদ্ধান্ত স্থাপনৰ চেষ্টা অব্যাহত ৰাখিছোঁ। গতিকে বৰ্তমান সময়ত আমি ভুল শিক্ষা গ্ৰহণ কৰি আছোঁ নে উচিত শিক্ষা গ্ৰহণৰ দিশে অগ্ৰসৰ হৈ পৰিছো এতিয়া ইয়াৰ নিৰ্ণয়বোৰ কেৱল আপোনা- লোকলৈ আগবঢ়ায় দিছোঁ।

## প্ৰৌঢ়

**মিহিৰ মৌচুম ৰয়**



কোনোবাই যদি মোক সোধে-
এতিয়া কবিতা লিখেনে?
আকাশলৈ আঙুলিয়াই কওঁ,
বেলি লহিয়াবলে হ'ল
আন্ধাৰে চুব পৰাৰ আগতেই
চৰাইজাক বাঁহত সোমাল
চুটি চুটি মৰমেৰে
মাকে পোৱালীজাকক বুকুত সুমুৱাই ললে
দুপৰৰ ৰদেৰে হাত সেঁকি
বুটলি লোৱা গাভৰু নৈৰ শব্দবোৰ
বিয়লিৰ ছাঁত লুকাল
এতিয়া সন্ধিয়া নামিবলে হ'ল
আকৌ পথাৰ বিচাৰি উভতি আহিবলৈ
সূৰ্য্যই জানো বাট বিচাৰি পাব?

## সংকল্প কৰা যোগভ্যাস

**যমুনা দুলু বৈশ্য,শুৱালকুছি**



কেতিয়াবা অকলশৰীয়া বা
নিসংগতাই বেঢ়ি ধৰিলে
মনত দুখ বোৱে খামুচি ধৰে,
শ্বাস -প্ৰশ্বাসত মানসিক স্থিতি
হেৰুৱাই নানা চিন্তাই আগুৰি ধৰি
ভ্ৰান্ত ধাৰণাই শৰীৰ দুৰ্বল কৰে
তেনেকুৱা কৰেনে তোমাৰ ?
আচলতে মনৰ বিকাৰক নাশ কৰিবলৈ
প্ৰতিদিনে যোগাত্মক সৃষ্টিৰ শক্তি ৰূপ পাবলৈ
যোগ আৰু ব্যায়ামে মানসিক সুস্থিৰতাৰ
সাধনেৰে অন্তৰাত্মা জাগৃত কৰি
বিতৃষ্ণাৰ অনুভূতিক ধ্বংস কৰিবা,
আত্মঅভিমানীয়ে মনক ছলনাৰে
ভয়ানক পৰিণতিৰে অৱশ কৰিব পাৰে
হতাশ নহ'বা,দেহত অংকুৰিত পীড়াক
নেওচি, সংকল্প কৰা যোগভ্যাস,
তেতিয়া পাবা শৰীৰ, মনত, সঞ্চালিত হৈ
একাগ্ৰতাৰ স্থিতিৰ কৰ্মত প্ৰাপ্তি ।

**অণুগল্প**

## আঁচনি

**শৈলেন কুমাৰ, মিৰ্জা**

চৰকাৰে দিয়া আঁচনিবোৰৰ বাবে আমি বহু লাভৱান হৈছোঁ। দুই চকাৰ পৰা চাৰি চকাৰ গাড়ীত ঘুৰিব পাৰিছোঁ, বুৰ্বক আৰু মুৰ্খবোৰক চিঞৰি থাকিব দিয়া আমাৰ পেট ভৰিলে হ'ল আৰু। বেছিদিন নাই বুজিছা, অনৰ্থক আঁচনিবোৰ যদি বন্ধ নকৰে আৰু জলবায়ু আৰু পৰিৱেশৰ ওপৰত ধ্যান দিয়া




নেযায় তেতিয়া হ'লে শাসক আৰু শোষক দুটাই নাথাকিব।

# দেশত ‘ৰাজহুৱা পৰীক্ষা (অনৈতিক উপায় প্ৰতিৰোধ)

(অনৈতিক উপায় প্ৰতিৰোধ) আইন- ২০২৪'ত বিভিন্ন কঠোৰ শাস্তি সন্নিৱিষ্ট কৰা হৈছে। বিশেষকৈ আইন ভংগ কৰি লিপ্ত হোৱা সকলোধৰণৰ অপৰাধ বিচাৰযোগ্য, জামিনবিহীন আৰু আপোচবিহীনৰূপে গণ্য কৰা হ'ব। তদুপৰি পৰীক্ষাৰ প্ৰশ্নকাকত বা উত্তৰ ফাদিলৰ দৰে কাৰ্যত জড়িত লোকে ৩ৰ পৰা ৫ বছৰ পৰ্যন্ত কাৰাবাস খটাৰ উপৰি ১০ লাখ টকালৈকে জৰিমনা ভৰিব লাগিব। জৰিমনা আদায়ত ব্যৰ্থ হ'লে ভাৰতীয় ন্যায় সংহিতা-২০২৩ৰ নিৰ্ধাৰিত ধাৰা অনুসৰি অতিৰিক্ত কাৰাবাস খটাটো বাধ্যতামূলক। আইনখনে পৰীক্ষাত অনৈতিক উপায়ত লিপ্ত সেৱা প্ৰদানকাৰী (ছাৰ্ভিচ প্ৰভাইডাৰ) ৰ ক্ষেত্ৰতো শাস্তিমূলক ব্যৱস্থা আৰোপ কৰিছে। সেই অনুসৰি আইন উলংঘাকাৰী সেৱা প্ৰদানকাৰীয়ে এক কোটি টকাপৰ্যন্ত জৰিমনা আদায় দিয়াৰ উপৰি সমানুপাতিকভাৱে পৰীক্ষাৰ ব্যয়ো বহন কৰিব লাগিব। লগতে অনাগত চাৰি বছৰপৰ্যন্ত কোনোধৰণৰ ৰাজহুৱা পৰীক্ষা পৰিচালনা কৰাৰ দায়িত্বৰ পৰা সংশ্লিষ্ট সেৱা প্ৰদানকাৰীক আঁতৰাই ৰখা হ'ব। তদুপৰি তদন্তকালত যদিহে সেৱা প্ৰদানকাৰী প্ৰতিষ্ঠানৰ সঞ্চালক, জ্যেষ্ঠ বিষয়া বা ভাৰপ্ৰাপ্ত বিষয়াৰ সন্মতিসাপেক্ষে পৰীক্ষাত অনৈতিক উপায় অবলম্বন কৰাৰ তথ্য পোহৰলৈ আহে, তেন্তে সংশ্লিষ্ট ব্যক্তিজনে ৩ৰ পৰা ১০ বছৰপৰ্যন্ত কাৰাবাস খটাৰ উপৰি আদায় দিব লাগিব এক কোটি টকা জৰিমনা। জৰিমনা অনাদায় ভাৰতীয় ন্যায় সংহিতা-২০২৩ ৰ নিৰ্ধাৰিত ব্যৱস্থা অনুসৰি অতিৰিক্ত কাৰাবাস খটাটো বাধ্যতামূলক। যদি পৰীক্ষা অনুষ্ঠিত কৰা কৰ্তৃপক্ষকে ধৰি কোনো ব্যক্তি বা দল বা সেৱা প্ৰদানকাৰী তথা অন্য প্ৰতিষ্ঠানে সংগঠিতভাৱে এনেধৰণৰ অপৰাধ সংঘটিত কৰে, তেন্তে সংশ্লিষ্টসকলে ৫ৰ পৰা ১০ বছৰপৰ্যন্ত কাৰাদণ্ড ভোগ কৰিব লাগিব। লগতে তেওঁলোকে এক কোটি টকা জৰিমনা আদায় দিয়াটো বাধ্যতামূলক। লগতে কোনো প্ৰতিষ্ঠানে যদি এনেধৰণৰ সংগঠিত অপৰাধৰ লগত জড়িত হৈ পৰে, তেন্তে সেই প্ৰতিষ্ঠানটোৰ সম্পত্তি জব্দ কৰাৰ উপৰি পৰীক্ষাত হোৱা সমানুপাতিক ব্যয় আদায় দিব লাগিব। আটাইতকৈ গুৰুত্বপূৰ্ণ কথাটো হ'ল যে এনেধৰণৰ গোচৰৰ তদন্ত উপ-আৰক্ষী অধীক্ষক বা সহকাৰী আৰক্ষী আয়ুক্ত পৰ্যায়ৰ তলৰ বিষয়াই কৰিব নোৱাৰে। ইয়াতকৈ উৰ্ধতন পৰ্যায়ৰ আৰক্ষী বিষয়াকহে দিব লাগিব গোচৰটোৰ অনুসন্ধানৰ দায়িত্ব। তদুপৰি পৰীক্ষাত অনৈতিক উপায় অবলম্বনৰ ঘটনাৰ তদন্তভাৰ কেন্দ্ৰীয় অনুসন্ধান সংস্থাৰ হাতত ন্যস্ত কৰাৰ ক্ষমতা কেন্দ্ৰীয় চৰকাৰৰ হাততহে থাকিব বুলি আইনখনত স্পষ্টভাৱে উল্লেখ কৰা হৈছে। পৰীক্ষাত অনৈতিক উপায় অবলম্বন সন্দৰ্ভত স্পষ্টভাৱে ব্যাখ্যা কৰা হৈছে ‘ৰাজহুৱা পৰীক্ষা (অনৈতিক উপায় প্ৰতিৰোধ) আইন- ২০২৪'ত। সেই অনুসৰি প্ৰশ্নকাকত আৰু উত্তৰ বা তাৰ অংশবিশেষ ফাদিলৰ উপৰি পৰীক্ষাৰ সময়ত প্ৰত্যক্ষ বা পৰোক্ষভাৱে কৰ্তৃত্ববিহীনভাৱে পৰীক্ষাৰ্থীক সহায় কৰা, উত্তৰবহী বিকৃতকৰণ, ইচ্ছাকৃতভাৱে কেন্দ্ৰীয় চৰকাৰে নিৰ্ধাৰণ কৰি দিয়া ৰাজহুৱা পৰীক্ষাৰ নিয়ম-নীতিৰ উলংঘা, পৰীক্ষাৰ্থীৰ মেধা বা স্থান নিৰ্ধাৰণৰ বাবে প্ৰয়োজনীয় নথি-পত্ৰৰ বিকৃতকৰণ, পৰীক্ষাৰ সময়ত নিৰাপত্তা ব্যৱস্থা অমান্য কৰা, কম্পিউটাৰৰ নেটৱৰ্ক-সম্পদ-ছিষ্টেম বিকৃতকৰণ, পৰীক্ষাৰ্থীৰ আসন ব্যৱস্থাত বিসংগতি সৃষ্টি, পৰীক্ষাৰ সৈতে জড়িতসকলৰ জীৱনৰ প্ৰতি ভাবুকি আদি কাৰ্য অপৰাধৰূপে বিবেচনা কৰা হ'ব। আইনখনত উল্লেখ কৰা অনুসৰি যেতিয়ালৈকে ভাৰতীয় ন্যায় সংহিতা ২০২৩ দেশত কাৰ্যকৰী নহ'ব, তেতিয়ালৈকে এনেধৰণৰ গোচৰৰ ক্ষেত্ৰত আৰোপ কৰা হ'ব ভাৰতীয় দণ্ডবিধিৰ নিৰ্দিষ্ট বিধিসমূহেহে। উল্লেখ্য যে ‘ৰাজহুৱা পৰীক্ষা (অনৈতিক উপায় প্ৰতিৰোধ) বিধেয়ক-২০২৪'খন যোৱা ৬ ফেব্ৰুৱাৰীত লোকসভাত আৰু ৯ ফেব্ৰুৱাৰীত ৰাজ্যসভাত গৃহীত কৰা হৈছিল। ইয়াৰ পিছতে যোৱা ১২ ফেব্ৰুৱাৰীত ৰাষ্ট্ৰপতি দ্ৰৌপদী মুৰ্মুৱে প্ৰয়োজনীয় অনুমোদন দিয়াৰ লগে লগে বিধেয়কখন আইনলৈ পৰিণত হয়। কিন্তু চাৰি মাহতকৈ অধিক সময় উকলি যোৱাৰ পিছতো আইনখন সন্দৰ্ভত কেন্দ্ৰীয় চৰকাৰে অধিসূচনা জাৰি কৰা নাছিল। যাৰ বাবে বলবৎ হোৱা নাছিল আইনখন।

# প্ৰস্তাৱিত দৰং

উপাচাৰ্য সুভাষ চন্দ্ৰ দাস, জিলা আয়ুক্ত মুনীন্দ্ৰনাথ ঙাটেকে ধৰি নিৰ্মাণ প্ৰতিষ্ঠানৰ বিষয়াসকল উপস্থিত থাকে। আনহাতে দৰঙৰ স্বাস্থ্যসেৱাৰ এক নতুন মাত্ৰা প্ৰদানৰ বাবে ৰাজ্য চৰকাৰে জিলাখনত এখন চিকিৎসা মহাবিদ্যালয় আৰু চিকিৎসালয় স্থাপনৰ বাবে সিদ্ধান্ত গ্ৰহণ কৰিছে। মুখ্যমন্ত্ৰীয়ে আজি প্ৰস্তাৱিত দৰং চিকিৎসা মহাবিদ্যালয় আৰু চিকিৎসালয়ৰ স্থান পৰিদৰ্শন কৰি ইয়াৰ বিভিন্ন দিশৰ বুজ লয়। উল্লেখ্য যে প্ৰস্তাৱিত প্ৰকল্পটোৰ বাবে ১০০ বিঘা ভূমিত অত্যাধুনিক চিকিৎসা শিক্ষাৰ প্ৰতিষ্ঠানটো গঢ় লৈ উঠাৰ লগতে ৰাইজক আধুনিক চিকিৎসা প্ৰদানৰ বাবে সকলো আধুনিক সা-সুবিধাৰে সন্নিবিষ্ট এখন চিকিৎসা মহাবিদ্যালয় নিৰ্মাণ কৰা হ'ব। এই পৰিদৰ্শনৰ সময়ত জিলা আয়ুক্ত মুনীন্দ্ৰ নাথ ঙাটেকে ধৰি স্বাস্থ্য বিভাগৰ বিষয়াসকল উপস্থিত থাকে।

# পশ্চিমবংগত ভয়ংকৰ

ট্ৰেকতে আহিছিল দুয়োখন ৰে'ল। এই দুৰ্ঘটনাটোত এতিয়ালৈ ৫ গৰাকী লোকৰ মৃত্যু হোৱাৰ লগতে ৩০জন লোক আহত হোৱাৰ খবৰ পোৱা গৈছে। আহতসকলক ইতিমধ্যে উত্তৰ বংগৰ হাস্পতালত ভৰ্তি কৰা হৈছে। আগৰতলাৰ পৰা শিয়ালদহলৈ গৈ আছিল কাঞ্চনজংঘা এক্সপ্ৰেছখন। নিৰ্ধাৰিত সময় অনুসৰিয়েই যাত্ৰা কৰি আছিল কাঞ্চনজংঘা এক্সপ্ৰেছ যাত্ৰীবাহী ৰে'লখনে। শিলিগুৰিৰ পৰা কলকাতা সংযোগী মূল ৰে'লপথতে সংঘটিত হৈছে এই দুৰ্ঘটনা। পুৱা ৮.২৭ বজাত সংঘটিত হয় এই ৰে'ল দুৰ্ঘটনা। জানিব পৰা মতে, স্বয়ংক্ৰিয় সংকেত বিকল হোৱাৰ ফলত উক্ত দুৰ্ঘটনাটো সংঘটিত হৈছে। পুৱা ৫.৫০ বজাত বিকল হৈছিল স্বয়ংক্ৰিয় সংকেত ব্যৱস্থা। যাৰ ফলত দীৰ্ঘ দূৰত্ব ৰে'ল চলাচল সাময়িকভাৱে ব্যাহত হয়।

# ৱাইনাড লোকসভা

আলোচনাৰ সময়ত কংগ্ৰেছ সংসদীয় দলৰ অধ্যক্ষ ছোনিয়া গান্ধী, দলৰ প্ৰাক্তন সভাপতি ৰাহুল গান্ধী আৰু দলৰ সাধাৰণ সম্পাদক কে চি বেণুগোপাল আৰু প্ৰিয়ংকা গান্ধী ভাদ্ৰা উপস্থিত থাকে। লোকসভা নিৰ্বাচনত ৰাহুল গান্ধীয়ে ৱাইনাডত বৃহৎ জয় লাভ কৰিছিল আৰু নিজৰ নিকটতম প্ৰতিদ্বন্দ্বী আৰু ভাৰতীয় কমিউনিষ্ট পাৰ্টীৰ প্ৰাৰ্থী এনী ৰাজাক ৩, ৬৪, ৪২২টা ভোটৰ ব্যৱধানত পৰাস্ত কৰিছিল। ৰাহুল গান্ধীয়ে ৰায়বৰেলী সমষ্টিৰ পৰাও নিৰ্বাচনত অৱতীৰ্ণ হৈ জয়লাভ কৰিছিল। তেওঁ বিজেপিৰ প্ৰাৰ্থী দীনেশ প্ৰতাস সিঙক ৩, ৯০, ০৩০টা ভোটৰ ব্যৱধানত পৰাস্ত কৰি গান্ধী পৰিয়ালৰ দুৰ্গ হিচাপে খ্যাত সমষ্টিটোত জয়লাভ কৰিছিল।

# কামাখ্যাধামত আৰম্ভ

লগতে পানী যোগান, পৰিবহণ আদি বিভাগেও প্ৰয়োজনীয় সহায়খিনি ৰাইজক আগবঢ়াইছে। উল্লেখ্য যে মেলাখন আনুষ্ঠানিকভাৱে সন্ধিয়া পাণ্ডু বন্দৰৰ শিবিৰত আয়োজিত এক অনুষ্ঠানত উদ্বোধন কৰে পৰ্যটন মন্ত্ৰী জয়ন্ত মল্ল বৰুৱাই। মেলাখন উদ্বোধন কৰি মন্ত্ৰীগৰাকীয়ে দেৱীৰ আশীৰ্বাদতে বিগত কেইবাবছৰ ধৰি চৰকাৰে মেলাখন সুচাৰুৰূপে অনুষ্ঠিত কৰিবলৈ সক্ষম হৈছে বুলি কয়। তেওঁ কয় যে পূৰ্বতে লক্ষাধিক ভক্তৰ সমাগম হোৱা অম্বুবাচী মেলাত শেহতীয়াকৈ প্ৰতিবছৰে দৰ্শনাৰ্থীৰ সংখ্যা কেইবা লাখলৈ বৃদ্ধি পাইছে। পাণ্ডুৰ বন্দৰ আৰু কামাখ্যা ৰে'ল ষ্টেচনত দুটাকৈ আশ্ৰয় শিবিৰ পতা হৈছে যদিও প্ৰয়োজনত অধিক শিবিৰ মুকলি কৰিবলৈ চৰকাৰে দ্বিধাবোধ নকৰে। ৰাইজে যাতে কোনোধৰণৰ অসুবিধা নাপায় তাৰ প্ৰতি সতৰ্ক দৃষ্টি ৰাখিবলৈ প্ৰতিটো বিভাগক নিৰ্দেশ দিয়া হৈছে বুলিও তেওঁ লগতে কয়। যিয়েই নহওক দেৱীৰ আশিসেৰে দ্বিতীয় বৈকুণ্ঠপুৰীত পৰিণত হোৱা কামাখ্যাধাম এতিয়া সকলো ৰাইজৰ বাবে বিশ্বাস আৰু আস্থাৰ থলী হৈ পৰিছে।

# দৰং জিলাৰ বানাক্ৰান্ত

মন্ত্ৰী হাজৰীকাই কয় যে শীঘ্ৰেই এই মেৰামতিৰ কাম সম্পূৰ্ণ হ'ব। মন্ত্ৰীগৰাকীয়ে লগতে কয় যে বৰ্তমানৰ ৰাজ্য চৰকাৰে গ্ৰহণ কৰা পদক্ষেপৰ ফলতে বাৰিষা কালত মথাউৰি ছিগাৰ সংখ্যা যথেষ্ট হ্ৰাস পালে। এতিয়া মথাউৰি ছিগিলেও অতি কম দিনৰ ভিতৰতে ছিগা অংশ জৰুৰীকালীন পদক্ষেপ গ্ৰহণ কৰি মেৰামতি কৰা হয়। শাকতোলাই ছিগা এই মথাউৰি অত্যন্ত ক্ষিপ্ৰতাৰে মেৰামতি কৰা হৈছে আৰু শীঘ্ৰে সম্পূৰ্ণ হ'ব বুলি মন্ত্ৰীগৰাকীয়ে লগতে কয়। এই মথাউৰি পৰিদৰ্শন কালত মন্ত্ৰী গৰাকীৰ সৈতে দৰং-ওদালগুৰি লোকসভা সমষ্টিৰ সাংসদ দিলীপ শইকীয়া, ছিপাঝাৰ সমষ্টিৰ বিধায়ক ড° পৰমানন্দ ৰাজবংশী, মঙলদৈ সমষ্টিৰ বিধায়ক বসন্ত দাস, কমলপুৰ সমষ্টিৰ বিধায়ক দিগন্ত কলিতা, অসম ৰাজ্যিক মীন উন্নয়ন নিগমৰ অধ্যক্ষ গুৰুজ্যোতি দাস, দৰঙৰ জিলা আয়ুক্ত মুনীন্দ্ৰ নাথ ঙাটে আৰু জলসম্পদ বিভাগৰ উচ্চপদস্থ বিষয়াসকল উপস্থিত থাকে। ইয়াৰ পূৰ্বে মন্ত্ৰী গৰাকীয়ে দৰং জিলাৰ কাহিতলী অঞ্চলত দিমীলা নৈৰ বানৰ ফলত ছিগা জলসিঞ্চন বিভাগৰ বিং বান্ধটো পৰিদৰ্শন কৰে। মন্ত্ৰী গৰাকীয়ে কয় যে জলসিঞ্চন বিভাগে নিৰ্মাণ কৰা এই কৃষি বান্ধটোৰ ছিগা অংশ কাইলৈৰ পৰা জৰুৰীকালীন পদক্ষেপ গ্ৰহণ কৰি মেৰামতি কৰা হ'ব। এই পৰিদৰ্শন কালত মন্ত্ৰীগৰাকীৰ সৈতে সাংসদ দিলীপ শইকীয়া, বিধায়ক ড° পৰমানন্দ ৰাজবংশী, বিধায়ক দিগন্ত কলিতা আৰু জলসম্পদ বিভাগৰ উচ্চ পদস্থ বিষয়াসকল উপস্থিত আছিল। উল্লেখ্য যে দৰং জিলা ভ্ৰমণ কালত মন্ত্ৰীগৰাকীয়ে বানাক্ৰান্ত ৰাইজৰ সৈতে আলাপ কৰে আৰু তেওঁলোকৰ ক্ষয়-ক্ষতিৰ বুজ লয়।

# দৰঙত দশম আন্তঃৰাষ্ট্ৰীয়

সাধনা কৰি আহিছে। যোগাভ্যাসে মানুহৰ দৈহিক, মানসিক আৰু আধ্যাত্মিক উৎকৰ্ষ সাধন কৰে। ভাষণ প্ৰসংগত সাংসদগৰাকীয়ে ভাৰতৰ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে গ্ৰহণ কৰা উদ্যোগৰ ফলত ২০১৪ চনত ৰাষ্ট্ৰসংঘই ২১ জুনৰ দিনটো আন্তঃৰাষ্ট্ৰীয় যোগ দিৱস হিচাপে পালন কৰাৰ বাবে সিদ্ধান্ত লোৱাৰ কথা উল্লেখ কৰে। প্ৰধানমন্ত্ৰী মোদীৰ এনে পদক্ষেপৰ বাবেই সমগ্ৰ বিশ্বজুৰি যোগে প্ৰসাৰ আৰু জনপ্ৰিয়তা লাভ কৰিছে বুলি তেওঁ মন্তব্য কৰে। অনুষ্ঠানত ভাষণ প্ৰদান কৰি দৰঙৰ জিলা আয়ুক্ত মুনীন্দ্ৰ নাথ ঙাটেয়ে কয় যে ভাৰতত অতীজৰে পৰা যোগাভ্যাসৰ চৰ্চা অব্যাহত আছে। যোগাভ্যাসে মানসিক আৰু শাৰীৰিক সুস্বাস্থ্য গঢ়াৰ লগতে ৰোগ প্ৰতিৰোধ আৰু নিৰাময়তো সহায় কৰে। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ উদ্যোগৰ বাবে আজি যোগচৰ্চাই বিশ্বজুৰি জনপ্ৰিয়তা লাভ কৰিছে বুলি তেওঁ মন্তব্য কৰে। অনুষ্ঠানত আদৰণি ভাষণ প্ৰদান কৰে ৰাষ্ট্ৰীয় আয়ুষ অভিযান, দৰঙৰ জিলা ন'ডেল বিষয়া ডাঃ তৰুণ ডেকাই। অনুষ্ঠানত ছিপাঝাৰ সমষ্টিৰ বিধায়ক ড° পৰমানন্দ ৰাজবংশী, অসম ৰাজ্যিক মীন উন্নয়ন নিগমৰ অধ্যক্ষ গুৰুজ্যোতি দাস, দৰং জিলাৰ আৰক্ষী অধীক্ষক প্ৰকাশ সোণোৱাল, দৰং জিলাৰ স্বাস্থ্য বিভাগৰ যুটীয়া সঞ্চালক ডাঃ ৰমেশ চন্দ্ৰ ভট্টাচাৰ্য, মঙলদৈ মহাবিদ্যালয়ৰ অধ্যক্ষ ড° কমলাকান্ত বৰা, বিশিষ্ট উদ্যোগী- সমাজসেৱক ৰাজীৱ ডেকাৰ লগতে জিলাখনৰ বিভিন্ন বিভাগৰ মুৰব্বী বিষয়াসকল, ছাত্ৰ-ছাত্ৰী আৰু ৰাইজে অংশগ্ৰহণ কৰে। উল্লেখ্য যে যোগ দিৱসৰ সৈতে সংগতি ৰাখি চাৰিটা শাখাত ছাত্ৰ-ছাত্ৰী আৰু আন যোগাভ্যাসকাৰীৰ অংশগ্ৰহণেৰে যোগাসন প্ৰতিযোগিতা অনুষ্ঠিত কৰা হৈছিল। উক্ত অনুষ্ঠানত প্ৰতিযোগিতাৰ বিজয়ীসকলৰ মাজত পুৰস্কাৰ বিতৰণ কৰা হয়। জিলা পৰ্যায়ৰ কাৰ্যসূচীৰ লগতে দৰং জিলাৰ বিভিন্ন শিক্ষানুষ্ঠান, প্ৰশিক্ষণ প্ৰতিষ্ঠান, স্বাস্থ্য প্ৰতিষ্ঠান আদিতো আন্তঃৰাষ্ট্ৰীয় যোগ দিৱস উদযাপন কৰা হয়।

ENGLISH NEWS SECTION

# Governor attends Rongali Festival



Guwahati,RB News- Assam Governor Gulab Chand Kataria attended the Rongali Festival at the College of Veterinary Science Playground at Khanapara in Guwahati. Speaking on the occasion he said that the Rongali festival brilliantly showcases Assam as an ideal destination for investments, tourism, and business while promoting harmony in the state. He also said that the fest brought the heart and soul of Assam together on one vibrant platform, with its music, dance, fashion, art, craft, colors, and culture. Applauding the organizer, he said, I extend my best wishes to the team for their exceptional efforts in uniting the communities of the state and celebrating their roots and heritage. Moreover, he expressed that Assam is a land of vibrant cultural heritage. Its traditions, crafts, and rituals all exude regality and uniqueness in every aspect. Special Chief Secretary, Syedain Abbasi, Chief Information Commissioner, Bhaskar Jyoti Mahanta, and a host of dignitaries were present at the occasion

# Governor participates in 10th International day of Yoga



Guwahati,RB News- To promote yoga for overall development, Assam Governor Shri Gulab Chand Kataria took part in the 10th International Day of Yoga organized by National AYUSH Mission Assam in collaboration with District Administration, Kamrup(M) held at DTRP indoor stadium. Speaking on the occasion Governor Shri Kataria said, “Yoga is an ancient and wonderful science of Indian culture. The history of yoga is thousands of years old and it is believed that yoga has been practised ever since civilization began. It is a science-based spiritual discipline that focuses on establishing harmony between mind and body. It is the art and science of healthy living.” Shri Kataria also said that apart from Maharishi Patanjali, many sages and yoga gurus have made important contributions to the development of yoga through practice and yogic literature.  Today the whole world is being benefited from Yoga.

# Raj Bhavan celebrates statehood day of West Bengal



Guwahati,RB News- Raj Bhavan, Assam under the leadership of Governor Shri Gulab Chand Kataria, celebrated the Statehood Day of West Bengal at the auditorium of Royal Global School in Guwahati. Speaking on the occasion, Governor Shri Kataria highlighted the significance of West Bengal, noting that it is the birthplace of revolutionary leaders who laid the foundation for modern and free India. He also stressed that India since its inception was one and he thanked Prime Minister Narendra Modi who brought back the concept of one India and hailed all Raj Bhavans for celebrating the Foundation Day of the States and Union Territories under "Ek Bharat Shreshtha Bharat". Shri Kataria also said, "The purpose of organizing State Foundation Days is to understand the art and culture of each other state and to appreciate our rich heritage of unity in diversity. Such events definitely strengthen the feeling of unity and nationalism". He further elaborated that the celebration holds great significance as it provides an opportunity to remember the rich history, cultural heritage, and remarkable contributions made by the states and Union Territories in the country.

# Shreyasi Singh added to shooting squad for 2024 Paris Olympics



RB News-National Rifle Association of India (NRAI) on June 21 confirmed that shotgun shooter Shreyasi Singh will participate in the 2024 Paris Olympics after the successful quota swap by the International Shooting Sports Federation (ISSF). Singh's inclusion in the 2024 Paris Olympics team implies and that India will field 21-member team at the Summer Games, set to take place in July-August.

# Odisha Government to sponsor Indian Hockey till 2036



RB News- The newly elected Odisha government led by Mohan Charan Majhi has decided to extend the sponsorship to Indian Hockey for three more years. After meeting on Thursday, the CM Office confirmed the extended sponsorship which will run till 2036 now. The new government has added three years of extension to the previous sponsorship agreement.

# Afghanistan beat Australia



RB News- Afghanistan defeated Australia by 21 runs in their T20 World Cup 2024 Super Eight stage match in St Vincent on Sunday. This is the first time in international cricket history that Afghanistan have defeated Australia. Afghanistan put up a total of 148/6 and dismissed Australia for 127 in 19.2 overs. With the win, Afghanistan stay alive in the tournament.

# ভাৰতৰ হাতত পৰাস্ত বাংলাদেশ

ৰঙিলী বাৰ্ত্তাসেৱা- বাংলাদেশক হৰুৱাই চলিত টি-২০ বিশ্বকাপৰ ছেমিফাইনেলত প্ৰৱেশৰ পথ প্ৰশস্ত কৰিছে টীম ইণ্ডিয়াই। এন্টিগুৱাত অনুষ্ঠিত ছুপাৰ এইটৰ নিজৰ গ্ৰুপৰ মেচখনত বাংলাদেশক পৰাস্ত কৰি ছেমি ফাইনেলৰ আশা সজীৱ কৰে ভাৰতে। ছুপাৰ -৮ৰ দ্বিতীয় মেচত বাংলাদেশৰ বিৰুদ্ধে ৫০ ৰাণত ব্যৱধানত বৃহৎ জয় অৰ্জন ভাৰতৰ। প্ৰথমে বেটিং কৰি ভাৰতে নিৰ্ধাৰিত ২০ অ'ভাৰত ১৯৬ ৰাণ সংগ্ৰহ কৰিছিল। ১৯৭ ৰাণৰ লক্ষ্যৰ অনুসৰণ কৰি মাত্ৰ ১৪৬ ৰাণতে স্তব্ধ হৈ পৰে বাংলাদেশ। ভাৰতৰ হৈ হাৰ্দিক পাণ্ডিয়াই ২৭টা বলত দুৰ্দান্ত ৫০ ৰাণৰ ইনিংছ খেলাৰ লগতে ঋষভ পণ্টে দুৰ্দান্ত ৩৬ ৰাণৰ ইনিংছ, শিৱম ডুবেই ৩৪ ৰাণৰ ইংনিছ খেলে। ৰোহিত শৰ্মা, বিৰাট কোহলিয়েও বিস্ফোৰক আৰম্ভণি কৰে যদিও বৃহৎ স্ক'ৰ কৰা ব্যৰ্থ হৈ পৰে। আনহাতে বাংলাদেশে প্ৰথমে বিস্ফোৰক আৰম্ভণি কৰে যদিও ভাৰতীয় বলিং বিক্ৰমৰ সন্মুখত স্তব্ধ হৈ পৰে। অধিনায়ক নাজিমুল হক শান্তোৰ বাহিৰে কোনো এগৰাকী বেটছমেনে বৃহৎ স্ক'ৰ কৰিবলৈ সক্ষম নহ'ল। ভাৰতৰ কুলদ্বীপ যাদৱে ৩টা উইকেট, যশপ্ৰীত বুমৰাহ আৰু



অৰ্শ্বদ্বীপ সিঙে ২টাকৈ উইকেট আৰু হাৰ্দিক পাণ্ডিয়াই এটা উইকেট দখল কৰে। দুৰ্দান্ত অল ৰাউণ্ড প্ৰদৰ্শনৰ বাবে হাৰ্দিক পাণ্ডিয়াক প্ৰদান কৰা হয় প্লেয়াৰ অৱ দ্যা মেচৰ সন্মান।


অসম চৰকাৰ
নিয়োগ আৰু কাৰিকৰী প্ৰশিক্ষণ সঞ্চালকালয়
বিহাবাৰী, গুৱাহাটী-৮

স্থানীয় প্ৰাৰ্থীৰ অধিক সুযোগৰ বাবে
নিয়োগ বিনিময় কেন্দ্ৰৰ পঞ্জীয়নৰ নতুন সংস্কৰণ

ইতিমধ্যে ৪৪২৯৬১ তকৈ অধিক পঞ্জীয়নভুক্ত চাকৰি প্ৰত্যাশীয়ে উন্নত চাকৰিৰ সুযোগ লাভৰ বাবে পুন:পঞ্জীয়ন কৰি নিজ নিজ প্ৰফাইল আপডেট কৰি লৈছে।

আপুনি যদি এতিয়াও পুন:পঞ্জীয়ন কৰা নাই....... অনতিপলমে পুন:পঞ্জীয়ন কৰক।

নিয়োগৰ ক্ষেত্ৰত ফলপ্ৰসূ সুবিধাৰ বাবে নিয়োগ বিনিময় পঞ্জীয়নৰ তথ্যসমূহ তলত দিয়া পদ্ধতিৰে উন্নীত কৰক-

- সেৱা সেতু (sewasetu.assam.gov.in) প'ৰ্টেলৰ "নাগৰিক সেৱাসমূহ" নিৰ্বাচন কৰক।
- "কৰ্মসংস্থাপন" শিতানত থকা "নিয়োগ বিনিময়ত নিয়োগ সন্ধানকাৰীৰ পুনৰ পঞ্জীয়ন" নিৰ্বাচন কৰক।
- "আধাৰৰ সৈতে আবেদন কৰক"। "আধাৰ অবিহনে আবেদন" সেইসকল প্ৰাৰ্থীৰ বাবে প্ৰযোজ্য, যাৰ "এন আৰ চি" ৰ বাবে আধাৰ কাৰ্ড বন্ধ হৈ আছে।

| "আধাৰৰ সৈতে পুন:পঞ্জীয়ন" | "আধাৰ অবিহনে পুন:পঞ্জীয়ন" |
|---|---|
| ➢ e-pramaan ৰ যোগেদি log in কৰক।<br>➢ OTP সম্বলিত পদ্ধতিৰে আধাৰৰ তথ্য প্ৰমাণ কৰক।<br>➢ আবেদন পত্ৰত প্ৰয়োজনীয় সকলো তথ্য পূৰণ কৰক।<br>➢ বাধ্যতামূলক আৰু প্ৰয়োজনীয় নথি-পত্ৰ সমূহ Upload কৰক।<br>➢ আবেদন দাখিল কৰক আৰু নৱীকৃত পঞ্জীয়ন পত্ৰ download কৰক। | ➢ e-pramaan ৰ যোগেদি log in কৰক।<br>➢ আবেদন পত্ৰত প্ৰয়োজনীয় সকলো তথ্য পূৰণ কৰি নিয়োগ বিনিময় কেন্দ্ৰৰ নাম নিৰ্বাচন কৰক।<br>➢ বাধ্যতামূলক আৰু প্ৰয়োজনীয় নথিসমূহ Upload কৰক।<br>➢ নথি-পত্ৰ পৰীক্ষাৰ দিন/ স্থান উল্লেখিত। Acknowledgement Receipt download কৰক।<br>➢ নিৰ্দিষ্ট নিয়োগ বিনিময় কেন্দ্ৰত নথি-পত্ৰ পৰীক্ষা কৰাওক।<br>➢ প্ৰক্ৰিয়া সম্পূৰ্ণ হলে নতুন নৱীকৃত পঞ্জীয়ন পত্ৰ সংগ্ৰহ কৰক। |

সহায়ৰ বাবে যোগাযোগ কৰক-
ই মেইল: rtps-assam@assam.gov.in বা emp.sol.ops@gmail.com
কল/ফোন : 1800-345-3574 (পুৱা ৮ বজাৰ পৰা গধুলি ৮ বজালৈ)
Whatsapp মোবাইল নং - 8099897266 (পুৱা ৯:৩০ বজাৰ পৰা ৫ বজালৈ)

** যিসকলে ২ জানুৱাৰী ২০২৪ চনৰ আগত নিয়োগ বিনিময় কেন্দ্ৰত পঞ্জীয়ন কৰিছিল তেওঁলোকক ১৫ আগষ্ট ২০২৪ তাৰিখৰ ভিতৰত সেৱা সেতু পৰ্টেলত পুন:পঞ্জীয়ন কৰিবলৈ অনুৰোধ জনোৱা হ'ল অন্যথা তেওঁলোকৰ পঞ্জীয়ন বাতিল কৰা হ'ব।**

JANASANYOG- 215/24/23-June-24

সঞ্চালক
নিয়োগ আৰু কাৰিকৰী প্ৰশিক্ষণ,
অসম, বিহাবাৰী, গুৱাহাটী - ৮

তথ্য আৰু জনসংযোগ সঞ্চালকালয়, অসমৰ দ্বাৰা প্ৰচাৰিত Connect with us @diprassam dipr.assam.gov.in
অসম বাৰ্তা হোৱাটছএপ কৰিবলৈ [illegible] ত Assam লিখি হোৱাটছএপ কৰক


ৰঙিলী বাৰ্ত্তা কৰ্তৃক শ্ৰীউদ্দীপ্ত নয়ন মেধিৰ দ্বাৰা প্ৰকাশিত, প্ৰচাৰিত আৰু ফটাশিল মানপাৰা গুৱাহাটী-25ৰ মেধি এণ্টাৰপ্ৰাইজত মুদ্ৰিত। ফোন ঃ 9854215286
প্ৰতিষ্ঠাপক সম্পাদক ঃ মহেশ চন্দ্ৰ মেধি মূখ্য-সম্পাদক ঃ উদ্দীপ্ত নয়ন মেধি সহঃসম্পাদিকাঃ-স্বাগতা বৰুৱা গোস্বামী সহঃ সম্পাদিকাঃ অদিতি দত্ত লহকৰ
Founder Editor - Mahesh Ch. Medhi Ph. 99570-45203 EDITOR-IN-CHIEF :- UDDIPTA NAYAN MEDHI Ph.98542-15286